# ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ২০২৫ বৰ্ষৰ স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিকৰ MA-ASM-04-406(B) কাকতৰ বাবে দাখিল কৰা

ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ


তত্ত্বাৱধায়ক

ড০ পাৰ্থপ্ৰতীম ফুকন

সহকাৰী অধ্যাপক,অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়,

নগাঁও

গৱেষক

প্ৰিয়ংকা টায়েং

স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিক

অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়,

নগাঁও

ৰোল নং - AS-18/23


(২০২৩-২০২৫ বৰ্ষ )

অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়, নগাঁও

MAHAPURUSHA SRIMANTA SANKARDEVA VISWAVIDYALAYA

Recognized Under Section 2 (f) of UGC Act . 1956

Srimanta Sankardeva Sangha Complex, Haladhar Bhuyan Path

Kalangpar,Nagaon, pin- 782001( Assam ), India

---

## তত্ত্বাৱধায়কৰ প্ৰমাণ পত্ৰ

ইয়াৰ দ্বাৰা জনোৱা হয় যে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰী প্ৰিয়ংকা টায়েঙে আমাৰ তত্ত্বাৱধানত স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিকৰ অসমীয়া বিভাগৰ পাঠ্যক্ৰমৰ MA-ASM-04- 406(B) কাকতৰ অংশ হিচাপে ' 'ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ ' শীৰ্ষক গৱেষণা প্ৰকল্পটো সম্পন্ন কৰিছে। বিশ্লেষণৰ ক্ষেত্ৰত বৰ্ণনাত্মক ভাষাবৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰি এই গৱেষণা কৰ্ম সম্পন্ন কৰা হৈছে। গৱেষণা কৰ্ম কৰি পোৱা সিদ্ধান্তসমূহ তেওঁৰ নিজৰ আৰু প্ৰকল্পটোৰ কোনো অংশ আন কোনো বিশ্ববিদ্যালয় বা অনুষ্ঠানৰ ডিগ্ৰীৰ বাবে ব্যৱহাৰ কৰা হোৱাৰ নাই।

তাৰিখ:

স্থান:

ড০ পাৰ্থপ্ৰতীম ফুকন

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়,

নগাঁও

# ঘোষণা পত্ৰ

মই প্ৰিয়ংকা টায়েঙে জনাওঁ যে, চতুৰ্থ ষান্মাসিকৰ অন্তৰ্গত গৱেষণা কাকতৰ বাবে ' ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ ' শীৰ্ষক গৱেষণা প্ৰবন্ধটো ব্যক্তিগত প্ৰচেষ্টাত প্ৰস্তুত কৰা হৈছে।

ধন্যবাদেৰে

প্ৰিয়ংকা টায়েং

অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়,

নগাঁও

# কৃতজ্ঞতা স্বীকাৰ

' ডিব্ৰগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ ' শীৰ্ষক বিষয়টোৰ সম্পৰ্কে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ আংশিক প্ৰয়োজন পূৰ্তিৰ বাবে প্ৰদত্ত ক্ষুদ্ৰ গৱেষণা পত্ৰ প্ৰস্তুত কৰিবলৈ গৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ড০ পাৰ্থপ্ৰতীম ফুকন দেৱক তত্ত্বাৱধায়ক হিচাপে পাই গৌৰৱ অনুভৱ কৰিছে। কৰ্মবহুল জীৱনৰ মাজতো তেখেতে এই অধ্যয়ণত মোৰ প্ৰতি সৰ্বতো প্ৰকাৰৰ সহায় - সহযোগিতা  আৰু দিহা পৰামৰ্শ আগবঢ়াইছে। তেখেতলৈ মই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এই বিষয়টোৰ অধ্যয়ণৰ বিভিন্ন দিশত নিৰ্দেশনা প্ৰদান কৰা ড০ শ্যমলী দলৈ বাইদেউ, ড০ চাহিন জাফ্ৰি বাইদেউ, ড০ চন্দ্ৰকমল চেতিয়া ছাৰ, ড০ শিখামণি শৰ্মা বাইদেউক ধন্যবাদ আৰু কৃতজ্ঞতা আৰু  ধন্যবাদ জনালোঁ।লগতে বিভিন্ন দিশত সহায় কৰা বিভাগৰ সহপাঠীসকল আৰু অনুজসকলৈও  কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।



প্ৰিয়ংকা টায়েং

অসমীয়া  বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়,

নগাঁও

# ভূমিকা

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভিতৰত ভাৰতৰ এখন ৰাজ্য হ'ল অসম। এই ৰাজ্যত বিভিন্ন আদি- জনজাতিৰে বসবাস কৰি অহা মানুহে দীৰ্ঘদিন ধৰি অসমীয়া ভাষাক সৈতে জীৱন যাপন কৰি আহিছে।ইয়াত বসবাস কৰা জনজাতি-উপজাতিসকলৰ নিজস্ব ভাষা, সংস্কৃতি, পৰম্পৰা আৰু আঞ্চলিক স্বতন্ত্ৰতা আছে যদিও, অসমৰ আঞ্চলিক একতাৰ দিশে সকলো জাতি-জনজাতিয়ে একে ছাঁত্ৰত মিল খাই গৈছে। ইয়াত বহু জাতি-জনজাতিয়ে নিজৰ নিজৰ ভাষাৰ ব্যৱহাৰ কৰিও অসমীয়াক দ্বিতীয় ভাষা হিচাপে গ্ৰহণ কৰিছে। সামাজিক ক্ষেত্ৰত অসমীয়া ভাষাক এক সজীৱ যোগাযোগৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়।

অসমত বসবাস কৰা জনগোষ্ঠীসমূহৰ ভিতৰত মিচিং জনগোষ্ঠী অন্যতম। এই লোকসকলে সামাজিক ক্ষেত্ৰত বিভিন্ন কাৰণত মিচিং ভাষাৰ ব্যৱহাৰ কৰি আহিছে। সেয়েহে,' ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ' বিষয়টো নিৰ্বাচন কৰি দিয়াৰ বাবে প্ৰকল্প পত্ৰখন প্ৰস্তুত কৰিবলৈ লৈছোঁ। ইয়াৰ উপৰিও ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে আলোচনা কৰোঁতে বিভিন্ন ক্ষেত্ৰৰ পৰা অন্য তথ্যৰ ভিত্তিতহে প্ৰস্তুত কৰিবলৈ আগবাঢ়িছো। এই ক্ষেত্ৰত অজানিতে বৈ যোৱা ভুল ক্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

# সূচীপত্ৰ


০.০ অৱতৰণিকা

০.১ বিষয়ৰ পৰিচয়

০.২ অধ্যয়ণৰ উদ্দেশ্য

০.৩ অধ্যয়ণৰ গুৰুত্ব

০.৪ অধ্যয়ণৰ পৰিসৰ

০.৫ অধ্যয়ণৰ পদ্ধতি

০.৫.১ তথ্য আহৰণৰ উৎস

০.৬ পূৰ্বকৃত অধ্যয়ণৰ সমীক্ষা

প্ৰথম অধ্যায়

১.০ মিচিং জনগোষ্ঠী আৰু ভাষাৰ পৰিচয়

১.১ মিচিং জনগোষ্ঠীৰ পৰিচয়

১.১.১ মিচিং জনগোষ্ঠীৰ বাসস্থান

১.১.২ মিচিং জনগোষ্ঠীৰ প্ৰব্ৰজন

১.১.৩ মিচিং জনগোষ্ঠীৰ জনসংখ্যা

১.২ মিচিং ভাষাৰ পৰিচয়

১.২.১ মিচিং ভাষাৰ মূল

১.২.২ মিচিং ভাষাৰ ভাষিক স্থিতি

দ্বিতীয় অধ্যায়

২.০ ডিব্ৰগড় জিলাৰ মিচিংসকলৰ চমু পৰিচয়

২.১ বাসস্থান

২.২ জনসংখ্যা

২.৩ ভাষিক স্থিতি

তৃতীয় অধ্যায়

৩.০ ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ বিশেষ্যশব্দৰ গঠন আৰু প্ৰকাৰ

৩.১ কথিত অসমীয়া ভাষাৰ বিশেষ্য

৩.১.১ সংজ্ঞাবাচক

৩.১.২ সম্বন্ধবাচক

৩.১.৩ সংখ্যাবাচক

৩.২ কথিত মিচিং ভাষাৰ বিশেষ্য

৩.২.১ সংজ্ঞাবাচক

৩.২.২ সম্বন্ধবাচক

৩.২.৩ সংখ্যাবাচক

চতুৰ্থ অধ্যায়

৪.০ ডিব্ৰগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ বিশেষণ  শব্দৰ গঠন আৰু প্ৰকাৰ

৪.১ কথিত অসমীয়া ভাষাৰ বিশেষণ

৪.১.১ বিশেষ্যৰ বিশেষণ

৪.১.২ বিশেষণৰ বিশেষণ

৪.১.৩ ক্রিয়া বিশেষণ

৪.২ কথিত মিচিং ভাষাৰ বিশেষণ

৪.২.১ বিশেষ্যৰ বিশেষণ

৪.২.২ বিশেষণৰ বিশেষণ

৪.২.৩ ক্রিয়া বিশেষণ

পঞ্চম অধ্যায়

৫.০ ডিব্রগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ সৰ্বনামৰ গঠন আৰু প্ৰকাৰ

৫.১ কথিত অসমীয়া ভাষাৰ সৰ্বনাম

৫.২.১ব্যক্তিবোধক

৫.২.২ সম্বন্ধবাচক

৫.২.৩ প্রশ্নবাচক

৫.২ কথিত মিচিং ভাষাৰ সৰ্বনাম

৫.২.১ব্যক্তিবোধক

৫.২.২ সম্বন্ধবাচক

৫.২.৩ প্রশ্নবাচক

উপসংহাৰ

সহায়ক গ্ৰন্থপঞ্জী

পৰিশিষ্ট

## ০.০ অৱতৰণিকা

## ০.১ বিষয়ৰ পৰিচয়

ভাৰতবৰ্ষত বহুতো ভাষা উপভাষা প্ৰচলিত হৈ আহিছে। ভাৰতৰ সৰহসংখ্যক মানুহে এটাতকৈ বেছি ভাষা জানে বা ক'ব পাৰে। সাধাৰণতে ভাৰতত শিক্ষিত মানুহে এটাতকৈ অধিক ভাষা ক'বলৈ বাধ্য। কাৰণ দেশৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে মাতৃভাষাৰ উপৰিও হিন্দী আৰু ইংৰাজী ভাষাৰ অধ্যয়ন বাধ্যতামূলক কৰিছে। সেয়েহে ভাৰতবৰ্ষৰ শিক্ষিত মানুহ মাত্ৰেই বহুভাষী। ভাৰতবৰ্ষৰ অংগৰাজ্য অসমতো বহুতো ভাষা উপভাষা প্ৰচলিত হৈ আছে। অসমৰ জনগোষ্ঠীয় লোকসকলে দৈনন্দিন জীৱনত নিজ নিজ মাতৃভাষাৰ ব্যবহাৰ কৰে যদিও সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, বাণিজ্যিক, বিদ্যায়তনিক আদি বিভিন্ন কাৰণবশতঃ সংযোগী ভাষা হিচাপে অসমীয়া ভাষা ব্যৱহাৰ কৰিব লগা হয়। কাৰণ নিজৰ সম্প্ৰদায়ৰ বাহিৰে অন্য সম্প্ৰদায়ৰ লগত আদান প্ৰদান কৰিবলৈ হ'লে উভয় জনগোটৰ লোকে বুজি পোৱাকৈ এটা সংযোগী ভাষা ব্যৱহাৰ নকৰিলে গত্যন্তৰ নাই। অসমীয়া ভাষাই জনগোষ্ঠীয় লোকসকলৰ মাজত অতি প্ৰাচীনকালৰেপৰা সংযোগী ভাষাৰ ভূমিকা পালন কৰি আহিছে। গতিকে অসমত নিজ নিজ জনগোষ্ঠীয় মাতৃভাষা, চৰকাৰী ভাষা অসমীয়া, বাংলা, ভাৰত চৰকাৰৰ হিন্দী আৰু ইংৰাজী ভাষাৰ প্ৰচলন তথা ব্যৱহাৰে এক জটিল বহুভাষিক পৰিস্থিতিৰ সৃষ্টি কৰে। বহুভাষিক পৰিস্থিতিত দুটা ভিন্ন ভাষিক সম্প্ৰদায়ৰ মাজত পৰস্পৰ ভাষিক বোধগম্যতাৰ বাবে প্ৰয়োজনীয় কাম-কাজ চলাবলৈ কেতিয়াবা এটা সংযোগী ৰূপৰ সৃষ্টি হয় যিটো কোনোবা সম্প্ৰদায়ৰ মাতৃভাষা নহয়, দ্বিতীয় বা তৃতীয় ভাষাহে। এনে ৰূপৰ সংযোগী ভাষাক পিজিন বুলি জনা যায়। কেতিয়াবা এনে সংযোগী ভাষা কোনো জনগোটৰ মাতৃভাষা হিচাপে পৰিগণিত হয়গৈ। পিজিন কোনো ভাষাগোষ্ঠীৰ মাতৃভাষা বা প্ৰথম ভাষাৰূপে পৰিচিত হ'লেই ক্ৰেওলৰ মৰ্যদা পায়।

অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ ভিতৰত মিচিংসকল অন্যতম।জনসংখ্যাৰ দিশৰ পৰা মিচিংসকল অসমৰ দ্বিতীয় বৃহত্তম দ্বিভাষী বা বহুভাষী জনজাতীয় জনগোট। মিচিং ভাষা- ভাষী লোকসকলে অন্য ভাষা কোৱা দাঁতিকাষৰীয়া লোকসকলৰ লগত ভাষিক সম্পৰ্ক স্থাপন কৰিবলৈ হ'লে সংযোগী ভাষা হিচাপে অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ বাধ্য। কাৰণ মিচিং ভাষা অন্য ভাষা - ভাষী জনজাতীয় মানুহ বা

অজনজাতীয় অসমীয়া ভাষা কোৱা লোকে বুজি নাপায় বা পালেও কব নোৱাৰে। সেয়েহে মিচিংভাষী লোকসকলে অন্য ভাষা কোৱা দাঁতিকাষৰীয়া লোকসকলৰ মাজত যোগাযোগৰ বাবে সংযোগী ভাষা হিচাপে অসমীয়া ভাষা

ব্যৱহৃত হৈ আহিছে। মিচিং সকলে অসমীয়া ভাষাৰ পিজিন আৰু ক্ৰেওলৰ দুয়োটা ৰূপৰ ব্যৱহাৰ কৰাটো লক্ষণীয়। ডিব্ৰগড় মিচিং অধ্যুষিত এখন প্ৰধান জিলা। ডিব্ৰুগড় জিলাত অতি প্ৰাচীনকালৰেপৰা মিচিং জনগোষ্ঠীৰ লোকে বসবাস কৰি আহিছে। আই জিলাৰ অন্তৰ্গত গাঁওসমূহৰ নাম হ'ল - দধিয়া, লাইকা, কুলিগাঁও, কাৰ্মি গাঁও , মহমৰা, আইচুং, চাবুৱা আদি। আমাৰ প্ৰস্তাৱিত ক্ষুদ্ৰ গৱেষণা কৰ্মত ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে বিশ্লেষণ কৰোঁতে দধিয়া অঞ্চলক সামৰি আলোচনা কৰা হ'ব।

## ০.০২ অধ্যয়ণৰ উদ্দেশ্য:

বিষয় একোটাৰ গৱেষণামূলক অধ্যয়ণৰ আঁৰত নিৰ্দিষ্ট কিছুমান উদ্দেশ্য জড়িত হৈ থাকে | গৱেষণা কৰ্মৰ আঁচনিৰ বাবে প্ৰস্তাৱিত ' ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ ' শীৰ্ষক বিষয়ে অধ্যয়ণ কৰিবলৈ বিচৰাৰ নিৰ্দিষ্ট উদ্দেশ্য আছে। উদ্দেশ্যসমূহ হ'ল ----

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ থূলমূল আভাস আগবঢ়োৱা।

ডিব্ৰুগড় জিলাৰ মিছিংসকলৰ কথিত অসমীয়া ভাষা আৰু মিচিং ভাষাৰ ভাষিক স্থিতি সম্পৰ্কে আলোচনা আগবঢ়োৱা।

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ বিশেষ্যৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে আলোচনা আগবঢ়োৱা।

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ বিশেষণৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে আলোচনা আগবঢ়োৱা।

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ সৰ্বনামৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে আলোচনা আগবঢ়োৱা

## ০.০৩ অধ্যয়ণৰ গুৰুত্ব

বিষয় একোটাৰ গৱেষণামূলক অধ্যয়ণৰ গুৰুত্ব নিৰ্ভৰ কৰে, বিষয় একোটাৰ নিজস্ব পৰিসৰ আৰু গভীৰতাৰ ওপৰত। গৱেষণা কৰ্মৰ আঁচনিৰ প্ৰস্তাৱিত বিষয় ' ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ ' সম্পৰ্কে অধ্যয়ণ কৰাৰো গুৰুত্ব আছে।

- 'ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ ' শীৰ্ষক বিষয়ে পুংখানুপুংখ গৱেষণামূলক অধ্যয়ন হোৱা নাই। গতিকে এই বিষয়টিৰ সম্পৰ্কে গভীৰ অধ্যয়নৰ থল আছে।
- প্ৰস্তাৱিত বিষয়টিৰ সম্পৰ্কে গভীৰ অধ্যয়নৰ থল আছে।
- ডিব্ৰগড় জিলাৰ মিচিংসকলৰ পৰিচয়, তেওঁলোকৰ ভাষাৰ পৰিচয়, ভাষিক স্থিতি সম্পৰ্কে অধ্যয়ন কৰাৰ লগতে তেওঁলোকৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে জ্ঞাত হব পৰা যাব।

## ০.০৪ অধ্যয়নৰ পৰিসৰ

গৱেষণামূলক অধ্যয়নত নিৰ্বাচিত বিষয়ৰ পৰিসৰ নিৰ্ণয় কৰি লোৱাটো অতিকৈ প্ৰয়োজন। প্ৰস্তাৱিত ক্ষুদ্ৰ গৱেষণা কৰ্ম' ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ ' শীৰ্ষক বিষয়ৰ

আলোচনাত ডিব্ৰুগড় অঞ্চলৰ মিচিং অধ্যুষিত গাঁও সমূহৰ ভিতৰত দধিয়া অঞ্চলক অধ্যয়নৰ পৰিসৰত সামৰি লৈ তেওঁলোকৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে আলোচনা কৰা হব। এই গৱেষণা কৰ্মটিৰ সম্পৰ্কে আলোচনা কৰোঁতে ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ বিশেষ্য শব্দৰ গঠন আৰু প্ৰকাৰ, বিশেষণ শব্দৰ গঠন আৰু প্ৰকাৰ, সৰ্বনাম শব্দৰ গঠন আৰু প্ৰকাৰ আদি আলোচনাৰ পৰিসৰত সামৰি লোৱা হব।

## ০.৫ অধ্যয়নৰ পদ্ধতি

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ শীৰ্ষক বিষয়ৰ গৱেষণামূলক অধ্যয়নত বিশেষভাৱে বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হব।

**০.৫.১ তথ্য আহৰণৰ উৎস** 'ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ ' শীৰ্ষক বিষয়ে অধ্যয়ন কৰিবলৈ যাওঁতে তথ্য আহৰণৰ উৎস হিচাপে দুটা উৎসৰ সহায় লোৱা হ'ব ---

- মুখ্য উৎস
- গৌণ উৎস

(ক) মুখ্য উৎস: বিষয়টোৰ অধ্যয়ণৰ ক্ষেত্ৰত তথ্য আহৰণৰ বাবে মুখ্য উৎস হিচাপে ক্ষেত্ৰ অধ্যয়ণ কৰা হৈছে। ক্ষেত্ৰ অধ্যয়ণৰ ভিতৰুৱাভাৱে পূৰ্বপ্ৰস্তুতি ভৌগোলিক ক্ষেত্ৰ নিৰ্বাচন, প্ৰশ্নসূচী প্ৰস্তুতকৰণ, সাক্ষাৎকাৰ আদিৰ সহায় লোৱা হৈছে।

(খ) গৌণ উৎস: এই অধ্যয়ণত গৌণ উৎস হিচাপে বিভিন্ন আলোচনী, গ্ৰন্থ, প্ৰবন্ধ আদিৰ সহায় লোৱা হৈছে। লগতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰৰ সহায়, ইণ্টাৰনেট , ৱিকিপিডিয়া আদিৰ সহায় লোৱা হৈছে।

## ০.০৬ পূৰ্বকৃত অধ্যয়ণৰ  সমীক্ষা

গৱেষণা কৰ্ম একোটাৰ মূল ভেটিটো গঢ় দিয়ে পূৰ্বকৃত অধ্যয়ণৰ সমীক্ষণে। পূৰ্বকৃত অধ্যয়ণৰ সমীক্ষাৰ দ্বাৰা বিষয় একোটাৰ নিৰ্বাচন কৰাৰ পাছত সেই সম্পৰ্কে কেনেধৰণৰ আলোচনা হৈছে আৰু কেনেধৰণৰ আলোচনা কৰাৰ থল আছে, সেই সম্পৰ্কে জ্ঞাত হব পাৰি। মিচিংসকলৰ কথিত ভাষা আৰু নামপদৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে বিভিন্ন অধ্যয়ণ তথা গৱেষণা আৰু চিন্তা চৰ্চা আৰম্ভ হোৱা দেখিবলৈ পোৱা যায়। সেয়েহে এনেধৰণৰ গৱেষণা আৰু চিন্তা চৰ্চাৰ ওপৰত ভিত্তি কৰি ' ডিব্ৰগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ ' শীৰ্ষক গৱেষণা কৰ্মৰ পূৰ্বকৃত অধ্যয়ণৰ কৰ্মৰ পূৰ্বকৃত অধ্যয়ণসমূহক দুটা ভাগত ভাগ কৰা হৈছে ---

- তাত্ত্বিক
- প্ৰায়োগিক

- **তাত্ত্বিক**

অসমীয়া:

প্ৰস্তাৱিত গৱেষণা কৰ্মটো আলোচনা কৰিবলৈ যাওঁতে যিহেতু ডিব্ৰগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে আলোচনাৰ প্ৰয়োজন হ'ব, গতিকে তাৰ বাবে বহুতো তাত্ত্বিক গ্ৰন্থৰ সহায় লোৱা হৈছে । সেই  তাত্ত্বিক গ্ৰন্থসমূহ এনেধৰণৰ ----

ড০ ভীমকান্ত বৰুৱাৰ ' 'অসমৰ ভাষা ' (১৯৯০, ১৯৯৩ ,১৯৯৬, ২০০৩,২০১০,২০১৩,২০১৫) গ্ৰন্থখনত ভাষাৰ তাত্ত্বিক প্ৰসংগত কিছু কথা আলোচনা কৰা হৈছে। ইয়াত মিচিং ভাষাৰ প্ৰয়োগ সম্পৰ্কে বিশদ বিৱৰণ আছে।

ড০ অৰ্পণা কোঁৱৰৰ ' অসমৰ ভাষাৰ বিশ্লেষণাত্মক অধ্যয়ন' গ্ৰন্থখনত মিচিং ভাষাৰ ভাষিক স্থিতি, নামপদৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে আলোচনা কৰা আছে।

ড০ উপেন ৰাভা হাকাচামৰ  অসমীয়া আৰু অসমৰ ভাষা উপভাষা গ্ৰন্থখনত ভাষাৰ তাত্ত্বিক প্ৰসংগৰ কিছু কথা আলোচনা কৰা আছে। বৰ্তমান অসমৰ বিভিন্ন জনগোষ্ঠীৰে লোকৰ লগত বৈবাহিক আৰু ৰাজনৈতিক দিশত সম্পৰ্ক স্থাপন কৰি অসমীয়া ভাষাকে মাতৃভাষা হিচাপে গ্ৰহণ কৰিছে সেই কথাকে ইয়াত উল্লেখ কৰা আছে।

ড ০ কালিৰাম মেধিৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব ' নামৰ গ্ৰন্থখনত ভাষাৰ তাত্ত্বিক সম্পৰ্কত কিছু বিশদ বিৱৰণ পোৱা যায়।

ড ০ উপেন ৰাভা হাকাচামৰ ' অসমীয়া আৰু অসমৰ তিব্বতবৰ্মীয় ভাষা ' গ্ৰন্থখনত ভাষাৰ তাত্ত্বিক সম্পৰ্কত কিছু কথা আলোচনা কৰা হৈছে।

ড০ উপেন্দ্ৰনাথ গোস্বামীৰ' 'ভাষাবৈজ্ঞানিক অধ্যয়নত ' তুলনামূলক প্ৰসঙ্গ ' নামৰ গ্ৰন্থখনত বিশেষ্য, বিশেষণ, সৰ্বনামৰ সম্পৰ্কে আলোচনা কৰা আছে।

ইংৰাজী:

Dr Guluk Chandra Goswami ৰ 'Structure of Assamese ' নামৰ গ্ৰন্থখনত ভাষাৰ তাত্ত্বিক সম্পৰ্কত কিছু কথা আলোচনা কৰা আছে।

Dr Banikanta Kakati ৰ 'Assamese it's formation and development ' গ্ৰন্থত ভাষাৰ তাত্ত্বিক প্ৰসঙ্গত কিছু বিশদ বিৱৰণ পোৱা যায়।

Sir George Abraham Grierson ৰ ' Linguistic survey of India ' নামৰ গ্ৰন্থখনত ভাষাৰ তাত্ত্বিক সম্পৰ্কত কিছু কথা আলোচনা কৰা আছে।

**প্ৰায়োগিক গ্ৰন্থ:**

ভৃগুমণি কাগয়ুঙৰ ' মিচিং সংস্কৃতিৰ আলেখ্য' নামৰ গ্ৰন্থখনত মিচিং ভাষা সম্পৰ্কীয় কিছু কথা আলোচনা কৰা আছে।

বসন্ত কুমাৰ দলেৰ ' মিচিং ভাষাৰ ৰূপতত্ত্ব ' গ্ৰন্থখনত মিচিং ভাষাৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা আছে।

নাহেন্দ্ৰ পাদুনৰ ' মিচিং অসমীয়া পাঠ ' গ্ৰন্থত মিচিং ভাষাৰ সম্পৰ্কত কিছু বিশদ বিৱৰণ পোৱা যায়।

সোণাৰাম পাঞাং কটকীৰ ' মিৰি জাতিৰ বুৰঞ্জী ' গ্ৰন্থখনত মিচিংসকলৰ প্ৰব্ৰজনৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা আছে।

নাহেন্দ্ৰ পাদুনৰ ' ভাষাৰ তত্ত্বকথা ' নামৰ গ্ৰন্থখনত মিচিং ভাষাৰ শব্দ বিভক্তিৰ সম্পৰ্কত কিছু আলোচনা কৰা আছে।

## ১.০ মিচিং জনগোষ্ঠী আৰু ভাষাৰ পৰিচয়

অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত দ্বিতীয় সৰ্ববৃহৎ জনগোষ্ঠীটো হ'ল মিচিং জনগোষ্ঠী। তেওঁলোক নৃগোষ্ঠী হিচাপে মংগোলীয় জাতিৰ অন্তৰ্গত । নৃতাত্বিকদৃষ্টিৰে বিবেচনা কৰিলে দেখা যায় যে, এই জনগোষ্ঠীৰ গাৰ ছাল সাধাৰণতে হালধীয়া বাদামী ( পীত পিংগল) ধৰণৰ। তেওঁলোকৰ চুলি গাঢ় কলা, আৰু মসৃণ, মুখমণ্ডল বহল আৰু চেপেটা, চকু সৰু নাক চেপেটা হোৱা দেখা যায়। এইধৰণৰ শাৰীৰিক বৈশিষ্ট্যবোৰ মিচিং জনগোষ্ঠীৰ মাজতো সুস্পষ্টভাৱে লক্ষ্য কৰা যায়। অৰুণাচল প্ৰদেশত ' তানি গোষ্ঠী' ৰ লোক পৰিচয় দিয়া প্ৰধান জনগোষ্ঠীকেইটাৰ ভিতৰত আদিগোষ্ঠীৰ অন্তৰ্গত এটা জনগোষ্ঠী হৈছে মিচিংসকল। বৰ্তমান অৰুণাচল প্ৰদেশৰ আবৰ পাহাৰত বসবাস কৰি থকা গালং আৰু হিলমিৰিসকল তেওঁলোকৰ পূৰ্বপুৰুষ বুলি অনুমান কৰা হয়। মিচিংসকল ভৈয়াম আৰু পাহাৰীয়া - এই দুটা অঞ্চলত বসবাস কৰা দেখা যায়। ভৈয়ামৰ থকা মিচিংসকলে বিশেষকৈ নদীৰ পাৰে পাৰে চাংঘৰ সাজি বাস কৰা দেখা যায়। পাহাৰীয়া মিচিংসকলে পাহাৰত ঘৰ সাজি বাস কৰা দেখা পোৱা যায়।

মিচিংসকলে তেওঁলোকৰ ভাষাটোক মিচিং আগম( মিচিং ভাষা) বুলি কয়[১]।ভাষাবিদগ্ৰীয়াৰ্ছনৰমতে ' তানি আগম বা মিচিং আগম বৃহৎ চীন তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বতবৰ্মী শাখাৰ উপশাখাৰ অন্তৰ্গত এটা ভাষা[২]। এনে নামাকৰণ ভাষাতাত্বিক দৃষ্টিকোণেৰে কৰা হোৱা নাই, এনে নাম ভৌগোলিক দিশৰ ফালৰপৰাহে দিয়া হৈছে। চীন তিব্বতীয় ভাষা পৰিয়ালৰ গৱেষক পল. কে বেনেদিক্টে তিব্বতবৰ্মী শাখাৰ উপশাখাৰ আবৰ, মিৰি আৰু ডফলাক অন্তৰ্ভুক্ত কৰিছে[৩]। অসমত বসবাস কৰা মিচিং ভাষা ব্যৱহাৰকাৰী বৰ্তমান পাঁচ লক্ষাধিকৰো অধিক বুলি অনুমান কৰিব পাৰি। মিচিং ভাষাটো কোন সময়ত কেতিয়া জন্ম হৈছিল, তাৰ সঠিক সময় নিৰ্ধাৰণ কৰিব পৰা নাযায়। নিজা লিপি নাই বাবে অনুমানৰ ওপৰত ভিত্তি কৰি ভাষাটোৰ জন্ম কাল নিৰ্ধাৰণ কৰিবলগীয়া হয়। অৰুণাচল প্ৰদেশৰ লগতে অসমৰ বিভিন্ন জিলা যেনে - ডিব্ৰগড় , তিনিচুকীয়া, যোৰহাট, গোলাঘাট, লখিমপুৰ, ধেমাজি, শিৱসাগৰ আদি অঞ্চলসমূহত মিচিংসকলৰ বসতি দেখা যায়। তেওঁলোকে মিচিং ভাষাৰ উপৰিও অতীজৰে পৰা অইন প্ৰতিবেশী লোকৰ সৈতে সংযোগী ভাষা হিচাপে একমাত্ৰ অসমীয়া ভাষা ব্যৱহাৰ কৰি আহিছে।

---

[১] তদীয়, পৃ. ১০ (অসমৰ ভাষাৰ বিশ্লেষণাত্মক অধ্যয়ণ) ২০২০
[২] G.A. Giersion Linguistic Survey of India, Vol. III Part-I, p. 569
[৩] Ibid. [The north Assam Group is not a merely philogiocal , but also rather a geographical group]

## ১.১ মিচিং জনগোষ্ঠীৰ পৰিচয়

মিচিং জনগোষ্ঠী উত্তৰ-পূবৰ অসমত বসবাস কৰা এক উল্লেখযোগ্য আদিবাসী গোট। বিশেষকৈ ধেমাজি, মাজুলী, লখিমপুৰ, ডিব্রুগড়, তিনিচুকীয়া, শিৱসাগৰ আদি জিলা অঞ্চলত মিচিংসকলৰ জনবসতি অধিক পৰিমাণে দেখা যায়। এই জনগোষ্ঠীৰ মূল উৎস তিব্বত-মায়ানমাৰ সীমান্ত অঞ্চল বুলি বিবেচনা কৰা হয় আৰু ইহঁত চিন-তিব্বতীয় ভাষা-ভাষী জনগোষ্ঠীৰ অন্তৰ্গত।মিচিং” শব্দৰ অৰ্থ হৈছে – “মানুহ” বা “মানৱ”। আগতে এই জনগোষ্ঠীক “মিৰি” বুলি কোৱা হৈছিল, কিন্তু বৰ্তমানে ইহঁতে নিজৰ জাতি পৰিচয়ৰূপে “মিচিং” নাম ব্যৱহাৰ কৰে। ঊনবিংশ শতিকাৰ দ্বিতীয় ভাগত ইংৰাজ পৰ্যবেক্ষক আৰু লেখক E.T Delton এ মিচিংসকলক মংগোলীয় জনগোষ্ঠীৰ লোক বুলি ঠিৰাং কৰি কৈছে যে ------

> " The ( the mishings) are of the yellow mongulian types tall and powerfully framed but with a stanting gait and sluggish habits".[8]

মিচিংসকলৰ বহুতো লোককথা আৰু ধৰ্মীয় বিশ্বাসত তেওঁলোকৰ উৎপত্তিৰ কাহিনী প্ৰতিফলিত হয়। তেওঁলোকে বিশ্বাস কৰে যে তেওঁলোকৰ আদিপুৰুষ চিয়াং নদীৰ উপত্যকাৰ পৰা আহিছিল। এই ধৰণৰ বিশ্বাসৰ লগত ইতিহাস আৰু ভাষা-সাংস্কৃতিক দৃষ্টিকোণে থকা মিলসমূহ ইতিহাসত গুৰুত্বপূৰ্ণ তথ্য প্ৰদান কৰে।উচ্চভূমিৰ পৰা সমভূমিলৈ আহি মিচিংসকলে নিজৰ জীৱন পদ্ধতিত পৰিবৰ্তন আনে। তেওঁলোকে পাহাৰীয়া শস্যৰ সলনি সমতল ভূমিৰ ধানচাষৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। ঘৰৰ গঠন, খাদ্যাভ্যাস, বস্ত্ৰ তৈয়াৰ প্ৰযুক্তি আদি ক্ষেত্ৰতো এক নিৰ্দিষ্ট অভিযোজন ঘটে।বিশেষকৈ ব্ৰহ্মপুত্ৰ নদীৰ উপকূলৰ অঞ্চলত তেওঁলোকৰ গাঁও স্থাপন হয়।প্ৰব্ৰজনৰ ইতিহাস সত্ত্বেও, মিচিংসকলে নিজৰ সমাজ, সংস্কৃতি, ধৰ্মীয় বিশ্বাস, আৰু পৰম্পৰা সংহতভাৱে আগবঢ়াই আহিছে। তেওঁলোকৰ "কেবাং" ব্যৱস্থা, গাঁওকেন্দ্ৰিক শাসন আৰু সামাজিক নিয়মে মিচিং সমাজৰ সংহতি অটুট ৰাখিছে।

---

[8] Delton. E.T. Descriptive Ethnology of Bengal, retitle and reprinted in 1978 as Tribal History of Eastern Inelia Calcutta, p. 29

## ১.১.১ মিচিং জনগোষ্ঠীৰ বাসস্থান

মিচিং জনগোষ্ঠী অসমৰ অন্যতম প্ৰাচীন আৰু বৃহৎ জনজাতি। তেওঁলোকৰ বাসস্থান মানে কেৱল ভৌগোলিক অৱস্থান নহয়; ইহঁতৰ সমাজ, সংস্কৃতি, জীৱন-পদ্ধতি আৰু পৰম্পৰাৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। মিচিংসকলৰ বাসস্থান সময়ৰ লগে লগে পৰিবৰ্তিত হৈছে, কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৈতে তেওঁলোকৰ সংযোগ সদায় দৃঢ় হৈ আছে।বৰ্তমান মিচিং জনগোষ্ঠীৰ জনবসতি প্ৰধানকৈ অসমৰ নিম্নভূমি আৰু নদীবাহিত অঞ্চলত বিস্তৃত। তেওঁলোকৰ বাসস্থান অঞ্চলসমূহ হৈছে: ধেমাজি, লখিমপুৰ , যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া, গোলাঘাট আদি উল্লেখযোগ্য। এই অঞ্চলসমূহত মিচিংসকলৰ গাঁও মূলত ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনদীৰ কাষৰতে অৱস্থিত। নদীৰ পাৰত কৃষি আৰু মাছ ধৰা সহজ হোৱাৰ বাবে ইহঁতে সাধাৰণতে এনে অঞ্চলত বসবাস কৰি ভাল পায়।অৰুণাচল প্ৰদেশৰ দিবাং উপত্যকা, চিয়াং অঞ্চল, লোহিত আদি অঞ্চল মিচিংসকলৰ প্ৰাচীন বাসস্থান বুলি বিবেচিত কৰা হয়। বৰ্তমান কিছু মিচিং পৰিয়াল সেউজ বনাঞ্চলত বসবাস কৰা দেখা পোৱা যায়।

মিচিংসকলৰ গাঁও সাধাৰণতে গোট গোট কৰি গঢ়ি তোলা হয়। তেওঁলোকৰ বাসস্থানৰ গঠন পৰম্পৰাগতভাৱে পৰিবেশৰ লগত অভিযোজিত। মিচিংসকলৰ গাঁও সাধাৰণতে গোট গোট কৰি গঢ়ি তোলা হয়। তেওঁলোকৰ বাসস্থানৰ গঠন পৰম্পৰাগতভাবে পৰিবেশৰ লগত অভিযোজিত। মিচিংসকলৰ পৰম্পৰাগত ঘৰ চাংঘৰ নামেৰে জনা যায়।এই ঘৰ মাটি'ৰ পৰা ৬-৮ ফুট ওপৰত বাঁহ আৰু কাঠৰ সহায়ত গঢ়ি তোলা হয়।

এই ধৰণৰ গৃহনিৰ্মাণে বানপানীৰ পৰা সুৰক্ষা প্ৰদান কৰে।মিচিংসকলৰ বাসস্থান মূলতঃ প্ৰাকৃতিক সম্পদত সমৃদ্ধ। নদী, বন, খেতি-যোগ্য ভূমি ইত্যাদিয়ে তেওঁলোকৰ জীৱন-পদ্ধতিক নিৰ্ধাৰণ কৰিছে।বৰ্তমান সময়ত মিচিংসকলৰ বাসস্থানত কিছু আধুনিকতা দেখা গৈছে।চাংঘৰৰ বিপৰীতে কিছু পকী ঘৰ  দেখা যায়। বিদ্যুৎ, পানী, শিক্ষাৰ সুবিধা কিছু অঞ্চলত উন্নত হৈছে।মিচিংসকলৰ বাসস্থান কেৱল বসতি নহয়; ই তেওঁলোকৰ পৰম্পৰা, জীৱন-পদ্ধতি, সংস্কৃতি আৰু ইতিহাসৰ এক জীৱন্ত প্ৰতিচ্ছবি।উন্নয়নৰ লগত সংগতি ৰাখি মিচিংসকলৰ পৰম্পৰাগত বাসস্থানৰ গৌৰৱ সংৰক্ষণ কৰাৰ প্ৰয়োজন আছে।

## ১.১.২ মিচিং জনগোষ্ঠীৰ প্ৰব্ৰজন

মিচিং জনগোষ্ঠীৰ ইতিহাসৰ অন্যতম গুৰুত্বপূৰ্ণ অধ্যায় হৈছে তেওঁলোকৰ প্ৰব্ৰজন। এই প্ৰব্ৰজন কেৱল স্থানান্তৰ নহয়; ই তেওঁলোকৰ সামাজিক গঠন, সংস্কৃতি, ভাষা আৰু পৰিচয়ৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। ভাষাতাত্ত্বিক তথ্যৰ ভিত্তিত মিচিংসকলৰ প্ৰাচীন বাসস্থান দক্ষিণ-পশ্চিম চীন (Yunnan Province), তিব্বত আৰু উত্তৰ-পূৰ্ব মায়ানমাৰ অঞ্চল বুলি ধৰা হয়। এই অঞ্চলসমূহত বহু মংগোলীয় জাতিসকল বাস কৰিছিল, যাৰ পৰা মিচিংসকলে লাহে লাহে দক্ষিণ-পশ্চিম অভিমুখে প্ৰব্ৰজন আৰম্ভ কৰে।মিচিংসকলৰ পূৰ্বপুৰুষসকলে প্ৰাকৃতিক পৰিবেশ, খাদ্যৰ অভাৱ বা যুদ্ধৰ ফলত দক্ষিণ দিশে অভিমুখ কৰে।মিচিংসকলৰ পূৰ্বপুৰুষসকলে প্ৰাকৃতিক পৰিবেশ, খাদ্যৰ অভাৱ বা যুদ্ধৰ ফলত দক্ষিণ দিশে অভিমুখ কৰে।এই পৰ্যায়ত তেওঁলোকে তিব্বতৰ পাহাৰীয়া অঞ্চল অতিক্ৰম কৰি অৰুণাচল প্ৰদেশৰ প্ৰৱেশদ্বাৰলৈ আহে। তাৰ পিছত মিচিংসকল অৰুণাচল প্ৰদেশৰ চিয়াং, দিবাংআৰু লোহিত আদি উপত্যকাত বহু বছৰ বাস কৰে। এই ঠাইত তেওঁলোকে জুম খেতি, বাঁহৰ ঘৰ, গাঁও সমাজ আদিৰ যোগেদি পাহাৰীয়া জীৱন পদ্ধতি গঢ়ি তোলে।

আনুমানিক ১৩- ১৪ শতিকাৰ ভিতৰত, মিচিংসকলে উপযুক্ত কৃষিভূমিৰ সন্ধান,বানপানীৰ বাবে সুৰক্ষিত অঞ্চল বাণিজ্য আৰু জনসংযোগ বৃদ্ধিৰ প্ৰয়োজনৰ বাবে লাহে লাহেব্ৰহ্মপুত্ৰ উপত্যকা অভিমুখে নামি আহে। তেঁওলোকৰ প্ৰব্ৰজনৰ কাৰণসমূহ হ'ল ------

* খাদ্য, পানী আৰু কৃষিভূমিৰ সন্ধান: পাহাৰীয়া অঞ্চলত খেতি অসুবিধাজনক; সমভূমিত অধিক সুবিধা

* প্ৰাকৃতিক দুৰ্যোগ: পাহাৰীয়া অঞ্চলত ভূমিস্খলন, কঠিন পৰিবেশ

* ৰাজনৈতিক চাপ: অৰুণাচল অঞ্চলত অন্য উপজাতি বা ৰাজনৈতিক সংঘাত

* সমাজ-সংস্কৃতিৰ বিস্তাৰ: বৃহত্তৰ গাঁও গঠন, বানিজ্য, কেবাং সভা বিস্তাৰ আদি।

মিচিং জনগোষ্ঠীৰ প্ৰব্ৰজন এক ঐতিহাসিক যাত্ৰা, যিয়ে:অসমৰ বহু-সাংস্কৃতিক সমাজ গঠনত যোগদান কৰিছে।ভাষা, ধৰ্ম, সংস্কৃতিৰ আদান-প্ৰদান ঘটাইছে। আদিবাসী ইতিহাস চাবলৈ এটা গুৰুত্বপূৰ্ণ দৃষ্টান্ত আগবঢ়াইছে।মিচিংসকলৰ প্ৰব্ৰজন ইতিহাস কেৱল স্থানান্তৰৰ কাহিনী নহয়, ই হৈছে এক অভিযোজন, সংগ্ৰাম,

আৰু সাংস্কৃতিক একতাৰ গাঁথা। উচ্চভূমিৰ পৰা সমভূমিলৈ, বনাঞ্চলৰ পৰা নদীপাৰৰলৈ এই যাত্ৰাই তেওঁলোকক আধুনিক অসমৰ এক গৌৰৱময় জনজাতিত পৰিণত কৰিছে।

## ১.১.৩ মিচিং জনগোষ্ঠীৰ জনসংখ্যা

মিচিং জনগোষ্ঠী হৈছে অসমৰ অন্যতম বৃহৎ জনজাতি, যি পৰিসংখ্যা, ভৌগোলিক বিস্তৃতি আৰু সামাজিক উপস্থিতিৰ দিশৰ পৰা এক গুৰুত্বপূৰ্ণ স্থানত আছে। সময়ৰ লগে লগে এই জনগোষ্ঠীৰ জনসংখ্যা বৃদ্ধি পোৱাৰ লগতে সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰতো সক্ৰিয় ভূমিকা লৈ আহিছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমত মিচিং জনগোষ্ঠীৰ জনসংখ্যা6,80,424 জন (প্ৰায় ৬.৮ লাখ)[৫]।এই সংখ্যা অনুসাৰে, মিচিংসকল অসমৰ দ্বিতীয় বৃহত্তম জনজাতি (Scheduled Tribe – ST) হিচাপে পৰিগণিত।অৰুণাচল প্ৰদেশত মিচিংসকলৰ সংখ্যা তুলনামূলকভাবে কম, কাৰণ তেওঁলোকৰ অধিকাংশই ইতিমধ্যে অসমৰ সমতল অঞ্চললৈ প্ৰব্ৰজন কৰিছে।

তথাপিও চিয়াং, লোহিত, দিবাং অঞ্চলত মিচিংসকলৰ উপস্থিতি আছে। জিলা আনুমানিক মিচিংসকলৰ জনসংখ্যা ক্ৰমে ধেমাজি ২.২ লাখ, লখিমপুৰ ১.৫ লাখ, মাজুলী ৮০ হাজাৰ, ডিব্ৰুগড় ৬০ হাজাৰ, তিনিচুকীয়া ৫০ হাজাৰ, যোৰহাট ৩০ হাজাৰ, গোলাঘাট ২৫ হাজাৰ বুলি অনুমান কৰিব পাৰি।

মিচিংসকলৰ জনসংখ্যা প্ৰাকৃতিক বৃদ্ধিৰ হাৰ (Natural Growth Rate) অনুসাৰে বৃদ্ধি পাইছে।প্ৰতি ১০ বছৰত প্ৰায় ১৫%-২০% বৃদ্ধি পৰ্যবেক্ষণ কৰা হৈছে।শিক্ষা আৰু স্বাস্থ্যসেৱাৰ প্ৰসাৰৰ লগে লগে জন্মহাৰ কিছু কমিছে, কিন্তু সামগ্ৰিকভাবে জনসংখ্যা স্থিতিশীলভাৱে বৃদ্ধি পাইছে।১০০০ পুৰুষৰ বিপৰীতে প্ৰায় ৯৭০-৯৮০গৰাকী মহিলাৰ অনুপাত দেখা যায়।ই তুলনামূলকভাৱে উন্নত, আৰু মিচিং সমাজত মহিলা সক্ৰিয়ভাৱে সামাজিক, সাংস্কৃতিক কাৰ্যত অংশগ্ৰহণ কৰে।মিচিংসকলৰ শিক্ষাৰ হাৰ হৈছে প্ৰায় ৬৫-৭৫%।নতুন প্ৰজন্মত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাইছে,বিশেষকৈ মাধ্যমিক আৰু উচ্চ শিক্ষা ক্ষেত্ৰত অধিকাংশ লোক কৃষি, মাছ ধৰাৰ লগতে এখন এখনি ব্যৱসায়ত জড়িত।নগৰ অঞ্চলত থকা মিচিংসকল শিক্ষিত আৰু চৰকাৰী/বেচৰকাৰী চাকৰিত নিয়োজিত হৈ আছে।মিচিং জনগোষ্ঠীৰ জনসংখ্যা বৃদ্ধি অৰ্থনৈতিক আৰু সাংস্কৃতিক শক্তি ৰূপে দেখা গৈছে।ৰাজনৈতিক প্ৰতিনিধিত্ব, উন্নয়নমূলক আঁচনি, আৰু ভাষা সংৰক্ষণৰ ক্ষেত্ৰতো অধিক সক্ৰিয়তা দেখা গৈছে।মিচিং জনগোষ্ঠীৰ জনসংখ্যা কেৱল সংখ্যাগত দিশৰ পৰা গুৰুত্বপূৰ্ণ নহয়; ই অসমৰ আদিবাসী সমাজ, সংস্কৃতি, ভাষা আৰু

[৫] Census Report of Assam, 2011

জনসাংখ্যিক গঠনত এক মুখ্য ভূমিকা গ্ৰহণ কৰিছে৷ এই জনগোষ্ঠীৰ বৃদ্ধি জনগণনাৰ তথ্য আৰু সমাজৰ জীৱন্ততাৰে প্ৰমাণিত।

## ১.২ মিচিং ভাষাৰ পৰিচয়

মিচিং ভাষাৰ উৎপত্তি মিচিং জাতিৰ ইতিহাস আৰু প্ৰব্ৰজনৰ সৈতে গভীৰভাৱে জড়িত। ভাষাটো কেৱল মৌখিক সংযোগৰ মাধ্যম নহয়; ই জাতিগত চিন্তা, সংস্কৃতি, ধৰ্মীয় বিশ্বাস আৰু ঐতিহাসিক যাত্ৰাৰ সাক্ষী। সময়ৰ লগে লগে এই ভাষাৰ গঠন, ধ্বনি, ব্যাকৰণ, আৰু প্ৰভাৱবোৰ পৰিবৰ্তিত হোৱা দেখা গৈছে। মিচিং ভাষাটো চীন তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বতবৰ্মী শাখাৰ উত্তৰ অসম বা তানি ঠালৰপৰা উৎপত্তি হৈছে বুলি অনুমান কৰিব পাৰি। এই ঠালৰ লোকসকলে নিজক তানি বংশধৰ আৰু কথিত ভাষাবোৰক তানি আগম বুলি পৰিচয় দিয়ে। মিচিং ভাষাৰ জন্মৰ প্ৰসঙ্গত নাহেদ্ৰ পাদুনে এষাৰ মন্তব্য আগবঢ়াইছে যে -- " ঐতিহাসিক আৰু ভাষাতাত্ত্বিক বিচাৰত ভাষাৰ জন্মৰ বিচাৰত ভাষাৰ জন্মৰ বিষয়টো সদায় লিখিত সাহিত্য বা লিপিবদ্ধ তথ্যৰ ওপৰত নিৰ্ভৰ কৰে। সেই হিচাপে বিচাৰ কৰিলে মিচিং ভাষাৰ জন্ম কাল ঊনবিংশ শতিকাৰ অষ্টম দশক বুলি নিশ্চিতভাৱে ক'ব পাৰি।[৬]

মিচিংসকলে অৰুণাচল প্ৰদেশৰ উচ্চভূমিৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকা (অসম) অভিমুখে প্ৰব্ৰজন কৰাৰ সময়ত ভাষাটোৰ  ক্ষেত্ৰত উল্লেখযোগ্য ৰূপান্তৰ ঘটিল৷মিচিং ভাষা প্ৰাচীনকালৰে পৰা মূলতঃ মৌখিক ভাষা হিচাপে ব্যৱহৃত হৈছিল।

সাহিত্যিক বা লিখিত ৰূপৰ অপ্ৰচলনৰে ভাষাটো মৌখিক পৰম্পৰাৰ জৰিয়তে সংৰক্ষিত হৈ আছে৷খ্ৰীষ্টান মিছনেৰীসকলৰ দিনৰেপৰা মিচিং ভাষা চৰ্চা আৰম্ভ হৈছিল। মিচিং ভাষাৰ নিজস্ব লিপি নাই। সেইবাবে ৰোমান লিপিয়ে ব্যৱহাৰ কৰা দেখা যায়। **১৯৬৮** চনত গুৱাহাটীত মিচিং কৌবাঙৰ জন্ম হোৱাৰ পাছত মিচিংসকলে লিপি ব্যবহাৰ ক্ষেত্ৰত এক পৰীক্ষামূলক আঁচনি প্ৰস্তুত কৰে। পৰৱৰ্তীকালত মিচিং ভাষা সাহিত্যক বিজ্ঞানসন্মতভাৱে লিখিত আৰু বিকাশৰ ৰূপ দিয়াৰ তাগিদাতে **১৯৭২** চনত' মিচিং আগম কৌবাঙ' অৰ্থাৎ মিচিং সাহিত্য সভাই প্ৰতিষ্ঠা লাভ কৰিলে। আনহাতে মিচিং অধ্যুষিত অঞ্চলৰ প্ৰাথমিক বিদ্যালয়সমূহত **১৯৮৫** চনৰপৰা মিচিং ভাষাৰ শিক্ষাৰ বাবে পাঠদানৰ ব্যৱস্থা কৰিছে৷মিচিং ভাষাৰ উৎপত্তি এক দীঘল, পৰিবৰ্তনশীল আৰু সমৃদ্ধ ইতিহাসৰ

[৬] মিচিং ভাষাৰ আভাস, নাহেন্দ্ৰ পাদুন, পৃষ্ঠা ১৪


অংশ। ই কেৱল এক ভাষা নহয়, ই হৈছে মিচিং জাতিৰ পৰিচয়, ইতিহাস আৰু আত্মসন্মানৰ আধাৰ। আজিৰ যুগত ভাষাটোক সংৰক্ষণ আৰু বিকাশৰ পথত লৈ যোৱাটোৱেই ইয়াৰ উৎপত্তিগত মৰ্যাদা ৰক্ষা কৰাৰ একমাত্ৰ উপায়।

## ১.২.১ মিচিং ভাষাৰ মূল

মিচিং ভাষাটো চীন তিব্বতীয় ভাষা পৰিয়ালৰপৰা উৎপত্তি হৈছে। মূল চীন তিব্বতীয় ভাষা পৰিয়ালটো জৰ্জ আব্ৰাহম গ্ৰীয়াৰ্ছনে তেওঁৰ মুখ্য সম্পাদনাত প্ৰথম **১৯০৯** চনত প্ৰকাশ হোৱা 'Linguistic Survey of India[৭] ত প্ৰধানকৈ দুটা ভাগত বিভক্ত কৰিছে ------

* তিব্বতবৰ্মীয়
* শ্যামচীনীয়

তিব্বতবৰ্মীয় শাখাটো তিব্বতী, হিমালয়ী, উত্তৰ অসম আৰু অসম বৰ্মী এই চাৰিটা ভাগত ভাগ কৰিছে। ইয়াৰ উত্তৰ অসম শাখাৰ ভিতৰত অকা, ডফলা, আবৰ, মিৰি আৰু মিচিমি ভাষাক অন্তৰ্ভুক্ত কৰা হৈছে। উত্তৰ অসম শাখাত উল্লেখ কৰা আবৰ মিৰি নামৰ ভাষাটোৱে মিচিং ভাষাৰ নিকটতম পূৰ্বপুৰুষ। সুনীতি কুমাৰ চেটাৰ্জী সমৰ্থিত 'Linguistic Survey of India ( 1967)[৮] ৰ মতে মিচিং ভাষাৰ উৎপত্তি ৰেখাচিত্ৰৰ সহায়ত দেখুওৱা হ'ল –




ৰেখাচিত্ৰ -১: Linguistic Survey of India (1967) গ্ৰন্থৰমতে মিচিং ভাষাৰ মূল ।

---

[৭] Giereson, G.A.: Op. cit p. 380

[৮] ৰাভা হাকাচাম, উপেনঃ অসমীয়া আৰু অসমৰ তিব্বতবৰ্মীয় ভাষা, হাকাচাম কাওচাদাম, ধূপধৰা

## ১.২.২ মিচিং ভাষাৰ ভাষিক স্থিতি

মিচিং ভাষা (Mising language), যাক আগতে "প্লেইন মিৰি" বুলিও জনা গৈছিল, ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ এখন জাতিগত জনগোষ্ঠী — মিচিং জনগোষ্ঠীৰ দ্বাৰা প্ৰচলিত এক সজীৱ কিন্তু সংকটপূৰ্ণ ভাষা। ই চীন-তিব্বতীয় ভাষাপৰিয়ালৰ অন্তৰ্গত টানিক শাখাৰ সদস্যভুক্ত। এই ভাষাৰ ভাষিক স্থিতি বুজিবলৈ, কিছু গুৰুত্বপূৰ্ণ দিশত অলোকপাত কৰা প্ৰয়োজন । যেনে -প্ৰচলন, আন্ত-প্ৰজন্মীয় স্থানান্তৰ, শিক্ষা-ব্যৱস্থা, চৰকাৰী স্বীকৃতি, আৰু UNESCO বা EGIDS ধৰণী অনুসৰি স্থিতি।

মিচিং ভাষা অসমৰ বিশেষকৈ ধেমাজি, লখিমপুৰ, মজুলী, শোণিতপুৰ আৰু দুলিয়াজান আদিৰ অঞ্চলত কেন্দ্ৰিত মিচিং জনগোষ্ঠীৰ মাজত প্ৰচলিত।এই ভাষা সাধাৰণতে গৃহভাষা হিচাপে ব্যৱহৃত হয় — দৈনন্দিন ক্ৰিয়াকলাপ, পৰিয়ালিক সম্পৰ্ক, সমাজিক অনুষ্ঠান আদিত।তথাপি, নগৰীকৰণ, আধুনিক শিক্ষা প্ৰণালী আৰু যিমান বয়োজ্যেষ্ঠ মিচিংসকলে মাতৃভাষাতো সদায় ব্যৱহাৰ কৰে, তেনেতে বৰ্তমান কিশোৰ আৰু যুৱ প্ৰজন্মৰ মাজত ইয়াৰ ব্যৱহাৰ কমি আহিছে। বহুস্থলত এই ভাষা সম্পূৰ্ণৰূপে স্থানান্তৰ হৈ অসমীয়া ভাষাৰ স্থান গ্ৰহণ কৰিছে। ই ভাষা-স্থানান্তৰৰ এটা স্পষ্ট সংকেত।ভাৰতীয় বহুভাষিক সমাজত অসমীয়া আৰু হিন্দীৰ আধিপত্যই মিচিং ভাষাৰ ব্যৱহাৰ কমাই আনিছে।মিচিং ভাষা চৰকাৰী শিক্ষা প্ৰণালীত প্ৰাথমিক স্তৰত এটা বিষয় হিচাপে কিছু অঞ্চলত অন্তৰ্ভুক্ত হৈছে, বিশেষকৈ মিচিং অধ্যুষিত অঞ্চলসমূহত। তথাপি, মাধ্যমভাষা হিচাপে ইয়াৰ প্ৰচলন নাই।

স্থানীয় স্তৰত কিছুমান সাংস্কৃতিক সংগঠনে ভাষাটোৰ সংৰক্ষণ আৰু বিকাশৰ বাবে উদ্যোগ গ্ৰহণ কৰিছে। ইউটিউব, ফেচবুক আৰু ৱাটচএপৰ দৰে মাধ্যমত কিছু চোতালত মিচিং ভাষাৰ ব্যৱহাৰ লক্ষ্য কৰা গৈছে, কিন্তু ই পৰ্যাপ্ত নহয়।

মিচিং ভাষাৰ ব্যৱহাৰগত বিশেষত্বলৈ লক্ষ্য ৰাখি UNESCO ৰ প্ৰতিবেদন অনুসৰি মিচিং ভাষাটো বৰ্তমান বিপন্নপ্ৰায় অৱস্থাত আছে যদিও বিকাশৰ ফাললৈ অগ্ৰসৰ হোৱাৰ বাবে এই ভাষাটোৰ ভাষিক স্থিতি Developing স্তৰত চিহ্নিত কৰিছে। Expanded Graded Intergenerational Disruption Scale (EGIDS) অনুসৰি, মিচিং ভাষাক এক উন্নয়নশীল ভাষাৰূপে চিহ্নিত কৰিছে[১]। এই ভাষাৰ পৰিমাপনৰ স্তৰ হৈছে - EGIDS -5 ।মিচিং ভাষাৰ দীৰ্ঘস্থায়ী সংৰক্ষণৰ বাবেআন্ত-প্ৰজন্মীয় স্থানান্তৰ নিশ্চিত কৰা,বিদ্যালয়ত মিচিং ভাষাৰ পাঠ্যক্ৰম আৰম্ভ

[১] ড০ অৰ্পণা কোঁৱৰ, অসমৰ ভাষাৰ বিশ্লেষণাত্মক অধ্যয়ণ (২০২০) পৃ. ১৫০

কৰা,ডিজিটেল মাধ্যমত ভাষাটোৰ প্ৰচাৰ,চৰকাৰীভাৱে অধিক স্বীকৃতি প্ৰদান,মিচিং সাহিত্যিক আৰু গৱেষণা কাৰ্যক শক্তিশালী কৰা — ইত্যাদি একান্ত প্ৰয়োজন।

মিচিং ভাষা এটা সমৃদ্ধ জাতীয় পৰিচয়ৰ বাহক, যাৰ অস্তিত্ব বৰ্তমান প্ৰজন্মৰ দ্বাৰা সংকটত পৰিছে। যদি যথাযথ ভাৱে সংৰক্ষণ আৰু উন্নয়ন কৰা নাযায়, তেন্তে ই ভাষা বিলুপ্তিৰ দিশে আগবাঢ়িব। ভাষা কেবল যোগাযোগৰ মাধ্যম নহয় — ই আত্মপৰিচয়, ইতিহাস, আৰু সাংস্কৃতিক উত্তৰাধিকাৰৰ আধাৰ। সেইবাবে মিচিং ভাষাৰ ভাষিক স্থিতিৰ সজাগ অধ্যয়ন আৰু সক্ৰিয় পদক্ষেপ অতি প্ৰয়োজন।

## ২.০ ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ চমু পৰিচয়

ডিব্ৰুগড় জিলা, অসমৰ এখন মিচিং অধ্যুষিত জিলা, যি উত্তৰ-পূব ভাৰতৰ এক সাংস্কৃতিক, ভাষিক আৰু জাতিগত বৈচিত্ৰ্যে ভৰপূৰ অঞ্চল। এই জিলাত বসবাস কৰা বহু জাতি-জনজাতিৰ ভিতৰত মিচিং জনগোষ্ঠী (Mising) অন্যতম। তেওঁলোকে সামাজিক, সাংস্কৃতিক, আৰু অৰ্থনৈতিক ক্ষেত্ৰত ডিব্ৰুগড় জিলাৰ এক অবিচ্ছেদ্য অংগ।ডিব্ৰুগড় জিলাৰ অন্তৰ্গত অঞ্চল যেনে  দধিয়া, লাইকা , মহমৰা আদি অঞ্চলত মিচিংসকলৰ সঘন বসতি আছে। এই আটাকেইখনৰ ভিতৰত এটা অন্যতম অঞ্চল হ'ল দধিয়া অঞ্চল , য'ত মিচিং জনগোষ্ঠীৰ লোক বসবাস কৰা দেখা যায়।এওঁলোক চীন তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত। বিশেষকৈ ব্ৰহ্মপুত্ৰ নদীৰ পাৰে পাৰে চাংঘৰ সাজি তেঁওলোকে বসতি কৰি আছে। তেঁওলোকে বানপানীৰ  সমস্যাৰ বাবে চাংঘৰ সাজে। তেঁওলোকৰ গাৰ ছাল হালধীয়া বাদামী ধৰণৰ, নাক চেপেটা, চকু সৰু, মুখ মণ্ডল বহল হোৱা দেখা যায়।

ডিব্ৰুগড় জিলাৰ অন্তৰ্গত দধিয়া অঞ্চলৰ মিচিংসকলে তেওঁলোকৰ ভাষাটো মিচিং আগম বুলিয়ে কয়। তেঁওলোকে কথিত মিচিং ভাষা প্ৰয়োগ কৰে। সেইবাবে তেঁওলোকে কথিত ভাষাবোৰক তানি আগম বুলি পৰিচয় দিয়ে। এই অঞ্চলৰ মিচিংসকল আগতে অৰুণাচল প্ৰদেশত বাস কৰিছিল আৰু তাৰপিছত তেওঁলোক ব্ৰহ্মপুত্ৰ উপত্যকাৰ অভিমুখে প্ৰব্ৰজন কৰিছিল। এনে প্ৰব্ৰজনৰ ফলত ভাষাটোৰ ক্ষেত্ৰত ৰূপান্তৰ ঘটিল। প্ৰাচীন কালৰেপৰা মূলতঃ মিচিং ভাষাটো মৌখিক ভাষা হিচাপে ব্যৱহৃত হৈছিল। ডিব্ৰুগড় জিলাৰ অন্তৰ্গত অঞ্চলসমূহত বহুত মিচিং ফৈদ সোমাই আছে। তাৰ ভিতৰত পাগৰঃ , চায়াং  ফৈদৰ মিচিং মানুহ দধিয়া অঞ্চলত বাস কৰি আছে। এই দুটা ফৈদৰ ভাষা অলপ বেলেগ হোৱা দেখা যায়। তেঁওলোকে অন্য জনগোষ্ঠীৰ মানুহৰ লগত নিজৰ ভাৱৰ আদান প্ৰদান কৰিলে সংযোগী ভাষা হিচাপে অসমীয়া ভাষা ব্যৱহাৰ কৰে আৰু তেঁওলোকে অসমীয়া ভাষাটো কওঁতেও কিছুমান শব্দ ভালকৈ উচ্চাৰণ কৰিব নোৱাৰে। যেনে - কথা - কটা, হিন্দী - ইন্দী আদি।

শৈক্ষিক আৰু চৰকাৰী ক্ষেত্ৰত যদিও অসমীয়া ভাষাই বেছি চলিত, তথাপিও বহু মিচিং পঢ়ুৱৈ-লেখুৱৈয়ে নিজৰ ভাষাৰ সংৰক্ষণ আৰু শিক্ষা প্ৰচলন ঘটাবলৈ আগ্ৰহ প্ৰকাশ কৰিছে।ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ ভাষা কেৱল এক যোগাযোগৰ মাধ্যম নহয়; ই হৈছে তেওঁৰ জাতিগত গৰিমা, ঐতিহ্য আৰু আত্ম-সন্মানৰ এক প্ৰতীক। যিমানেই অসমীয়া বা ইংৰাজীৰ প্ৰভাৱ থাকক, মিচিং ভাষা সংৰক্ষণ আৰু উন্নয়নৰ বাবে স্থানীয় সমাজ, চৰকাৰ,

আৰু শিক্ষামূলক প্ৰতিষ্ঠানসকলৰ সহযোগিতা জৰুৰী। ভাষাটিক সজীৱ ৰখাৰ বাবে ডিব্ৰুগড়ৰ মিচিং সমাজে সদায় চেষ্টা অব্যাহত ৰাখিছে।

## ২.১ বাসস্থান

অসমৰ ডিব্ৰুগড় জিলা এক ভৌগোলিক, সাংস্কৃতিক আৰু জনজাতিগতভাবে বৈচিত্ৰ্যপূৰ্ণ অঞ্চল। এই জিলাৰ অন্যতম জনজাতি গোষ্ঠী হৈছে মিচিং জনগোষ্ঠী। মিচিংসকল প্ৰাকৃতিক, জলবায়ুগত আৰু সামজিক দৃষ্টিকোণৰ পৰা উপযোগী অঞ্চলসমূহত বাস কৰে। তেওঁলোকৰ বাসস্থান মূলতঃ নদীৰ পাৰ, উপত্যকা আৰু নিম্নভূমি অঞ্চলসমূহত কেন্দ্ৰিভূত।ডিব্ৰুগড় জিলাত মিচিংসকলৰ বসতি ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰৰ চাপৰি অঞ্চলসমূহত বিশেষকৈ বিস্তৃত। ইয়াত বসবাস কৰাৰ কিছু মুখ্য কাৰণ হ'ল—

* উৰ্বৰ মাটি (নদী পাৰৰ অলেভূমি),

* মাছ ধৰা, ধান চাষ, আখ চাষ আদিৰ উপযোগিতা,

* পানী আৰু বনসম্পদৰ সহজ প্ৰাপ্যতা।

ডিব্ৰুগড় জিলাত মিচিংসকলৰ বাসস্থান মূলতঃ তলত উল্লেখ কৰা অঞ্চলসমূহত কেন্দ্ৰিভূত: দধিয়া, লাইকা, মহমৰা আদি।বনাঞ্চল সংলগ্ন অঞ্চলত এই লোকসকলে পৰম্পৰাগত গাঁও গঢ়ি তুলিছে।এই অঞ্চলবোৰত নদীৰ পাৰ আৰু উৰ্বৰ কৃষি ভূমিৰ কাৰণে মিচিংসকলৰ সঘন বসতি দেখা যায়।

ইয়াৰ উপৰিও তেওঁলোকৰ পৰম্পৰাগত ঘৰ 'চাং ঘৰ' ৰূপে পৰিচিত।এইবোৰ মাটিৰ পৰা কিছুমান উচ্চতালৈ বাঁহ আৰু কাঠৰ ওপৰত নিৰ্মিত হয়।চাং ঘৰৰ বিশেষত্ব:বন্য জন্তুৰ পৰা সুৰক্ষা,বানপানীৰ সময়ত নিৰাপত্তা,ঠাণ্ডা আৰু ভাঁহি পৰিৱেশত উপযোগী।এই অঞ্চলৰ মিচিংসকলে প্ৰকৃতি-নিৰ্ভৰ জীৱনধাৰা অনুসৰণ কৰে।তেওঁলোকৰ গাঁওসমূহ সাধাৰণতে নদী, জুৰি (ছটীয়া নদী) আৰু বনাঞ্চল সংলগ্ন।বাসস্থান নিৰ্বাচনৰ সময়ত উৰ্বৰতা, পানী, মাছৰ সহজলভ্যতা, আৰু দ্ৰব্যসামগ্ৰীৰ সংৰক্ষণ উপযোগিতা বিবেচনা কৰে। ডিব্ৰুজিলাৰ মিচিং গাঁওসমূহ সাধাৰণতে নিজস্ব সমাজ ব্যৱস্থাৰে গঠিত।প্ৰত্যেক গাঁৱৰ এখন কেন্দ্ৰীয় "Murong" বা "Namghar" সদৃশ সামাজিক সভা-ঘৰ থাকে।গাঁওসমূহত পৰম্পৰাগত নেতৃত্ব ব্যৱস্থা (গাঁও বুঢ়া) বৰ্তমানো মানি চলা হয়।নদীৰ ক্ষয়,

বানপানী আদি সমস্যাই চাপৰি অঞ্চলত বাস কৰা মিচিংসকলৰ জীৱনক বিপদাপন্ন কৰে।ভূমিৰ অধিকাৰ, বনজ সম্পদৰ সীমিততা আৰু উন্নয়নমূলক সৰকাৰী সুবিধাৰ অভাৱও এখন গুৰুত্বপূৰ্ণ সমস্যা।

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ বাসস্থান পৰম্পৰাগত জ্ঞান, প্ৰাকৃতিক সম্পদ আৰু সামাজিক একতাৰ আধাৰত নিৰ্মিত। যদিও আধুনিকতা আৰু নগৰায়নে বহু পৰিবৰ্তন আনিছে, তথাপিও তেওঁলোকৰ বাসস্থান আৰু গাঁও সংস্কৃতি মিচিং জনজীৱনৰ মূল ভিত্তি হৈ আছে। এই বাসস্থানসমূহৰ সংৰক্ষণ, উন্নয়ন আৰু প্ৰাকৃতিক বিপদৰ পৰা সুৰক্ষা নিশ্চিত কৰাটো অতি প্ৰয়োজনীয়।

## ২.২ জনসংখ্যা

ডিব্ৰুগড় জিলাৰ মিচিংসকল জনসংখ্যা আনুমানিক ৬০হাজাৰ বুলি ধৰা হৈছে। তাৰ অন্তৰ্গত দধিয়া অঞ্চলত মুঠ জনসংখ্যা  ৫৫০০ বুলি জানিব পৰা গৈছে।

গৰাখহনীয়া, বানপানী আধুনিক সময়ত ডিব্ৰুগড়ৰ চাপৰি অঞ্চলত ST তথা মিচিং বসতি ক্ষতিগ্ৰস্ত কৰিছে ।তথাপি শিক্ষাৰ প্ৰসাৰ, স্বাস্থ্যসেৱা, আৰু বাসস্থান সুবিধা বৃদ্ধিৰে মিচিংসকলৰ জনসংখ্যা ধীৰে ধীৰে বৃদ্ধি পাইছে বুলি ধৰা হয়।ইয়াৰ পিছতো, ভাষা শিক্ষা, সৰকাৰী উদ্যোগ, ST-সংক্ৰান্ত উন্নয়ন পৰিকল্পনাৰ জৰিয়তে মিচিং জনসংখ্যাৰ মঙ্গলৰ বাবে ইতিবাচক পদক্ষেপ চলি আছে।এই জনগোষ্ঠী  সামাজিক-সাংস্কৃতিক পৰিসৰত গুৰুত্বপূৰ্ণ স্থানত আছে, যদিও সঠিক সংখ্যা সম্পৰ্কে নতুন জনগণনাৰ অভাৱ আছে, তথাপিও মিচিংসকলৰ অঞ্চলভিত্তিক বিস্তৃতি, জীৱনধাৰা আৰু সমাজত প্ৰভাৱ বেছি।

## ২.৩ ভাষিক স্থিতি

ডিব্ৰুগড় জিলাৰ মিচিং জনগোষ্ঠী হৈছে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম আদিবাসী গোষ্ঠী। তেওঁলোকৰ পৰিচয়ৰ অন্যতম প্ৰধান দিশ হৈছে তেওঁলোকৰ নিজস্ব ভাষা – মিচিং ভাষা। ভাষা এখন কেৱল বাৰ্তালাপৰ মাধ্যম নহয়, ই এজন গোষ্ঠীৰ চিন্তা-চেতনা, সংস্কৃতি, আৰু ঐতিহ্যৰ দৰ্পণ। সেয়ে ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ ভাষিক স্থিতি অধ্যয়ন কৰাটো অতি গুৰুত্বপূৰ্ণ। এই জিলাৰ মিচিংসকলে গৃহজীৱনত, সমাজ-চৰ্চা, ধৰ্মীয় অনুষ্ঠান, আৰু লোকসংগীতত মিচিং ভাষা সক্ৰিয়ভাৱে ব্যৱহাৰ কৰে।বিশেষকৈ পুৰণি প্ৰজন্ম মিচিং ভাষাত দক্ষ, যদিও ভৱিষ্যত প্ৰজন্মত এই ভাষাৰ ব্যৱহাৰ কিছু হ্ৰাস পোৱা দেখা গৈছে। ইয়াৰ উপৰিও শিশু আৰু কিশোৰবোৰে স্কুল শিক্ষাত

অসমীয়া বা ইংৰাজীক মুখ্য ভাষা হিচাপে গ্ৰহণ কৰে।ফলস্বৰূপে, মাতৃভাষাৰ প্ৰতি আগ্ৰহ আৰু ব্যৱহাৰ হ্ৰাস পাইছে।চহৰাঞ্চললৈ যোৱাৰ ফলত বহু মিচিং পৰিয়ালে পৰিপ্ৰেক্ষিতভাৱে মিচিং ভাষাৰ ব্যৱহাৰ কমাইছে।বহু পৰিয়ালে নিজৰ সন্তানক মিচিং ভাষাত কথা নকয়, যাৰ ফলত ভাষা স্থানান্তৰ প্ৰৱণতা বৃদ্ধি পাইছে।Expanded Graded Intergenerational Disruption Scale(EGIDS) অনুসৰি  মিচিংসকলৰ ভাষা উন্নয়নশীল ভাষাৰূপে চিহ্নিত কৰিছে। এই ভাষাৰ পৰিমাপনৰ স্তৰ হৈছে -EGIDS-5 ।

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ ভাষিক স্থিতি সজীৱ কিন্তু সংকটাপন্ন অৱস্থাত আছে। যদিও পুৰণি প্ৰজন্মৰ মাজত ভাষাৰ ব্যৱহাৰ প্ৰচলিত, নতুন প্ৰজন্মত এই ভাষাৰ অনুশীলন হ্ৰাস পাইছে। যি ভাষা কোনো গোষ্ঠীৰ আত্ম-চেতনা, ইতিহাস, আৰু সংস্কৃতিক জীৱন্ত ৰাখে, সেই ভাষাৰ সংৰক্ষণৰ বাবে,সচেতনতা বৃদ্ধি,শিক্ষা ব্যৱস্থাত অন্তৰ্ভুক্তি,মাতৃভাষাৰ চৰ্চা ইত্যাদি অতি প্ৰয়োজনীয়।

## ৩.০ ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত মিচিং ভাষাৰ বিশেষ্য শব্দৰ গঠন আৰু প্ৰকাৰ

বিভিন্ন বস্তুৰ নাম , মানুহৰ নাম, জীৱ - জন্তুৰ নাম , উদ্ভিদৰ নাম, মনৰ অৱস্থা আদিক বুজোৱা শব্দবোৰকেই বিশেষ্য শব্দ বুলি কোৱা হয়। ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ বিশেষ্য শব্দবোৰ কিছুমান এক ৰূপবিশিষ্ট আৰু কিছুমান বহু বহু ৰূপবিশিষ্ট । গঠনৰ ফালৰপৰা ইয়াক দুটা ভাগত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল ---

* মৌলিক বিশেষ্য

* সাধিত বিশেষ্য

*** মৌলিক বিশেষ্য**

যিবোৰ বিশেষ্য শব্দই স্বতন্ত্ৰভাৱে এটা অৰ্থ প্ৰকাশ কৰিব পাৰে। তাকে মৌলিক বিশেষ্য শব্দ বুলি কোৱা হয়। এই শব্দবোৰ স্বাধীন আৰু এটা স্পষ্ট অৰ্থবিশিষ্ট। এই শব্দবোৰক অৰ্থবহভাৱে খণ্ড খণ্ড কৰিব নোৱাৰি। ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাতো যথেষ্ট পৰিমাণৰ বিশেষ্য শব্দ আছে। উদাহৰণ স্বৰূপে --

| কথিত মিচিং | অসমীয়া |
|---|---|
| চবৌ: | গৰু |
| আমি | মানুহ |
| চিতৌ | হাতী |
| অকৌম | ঘৰ |
| আঃম | ধান |
| আপৃ | কণী |
| চবেন | ছাগলী |
| ইঃকি | কুকুৰ |

*** সাধিত বিশেষ্য শব্দ**

ডিব্ৰুগড় জিলা মিচিংসকলৰ কথিত ভাষাটো এক ৰূপবিশিষ্ট শব্দবিলাকৰ লগত শব্দ সংযোগ কৰি পুনৰ বিশেষ্য শব্দ গঠন কৰা হয়। বিশেষ্য শব্দবোৰ গঠন কৰিবৰ সময়ত উপসৰ্গ+ প্ৰাতিপাদিক; পূৰ্বসৰ্গ+ ক্ৰিয়ামূল; প্ৰাতিপাদিক বা ক্ৰিয়ামূল+ পৰসৰ্গ -- এইকেইটা ৰূপত শব্দবোৰ গঠন কৰা হয়৷ দুটা বা ততোধিক বেছি শব্দ যোগ হলে পূৰ্বত থকা ৰূপটোৰ এটা অংশ লোপ পায়।

যিবোৰ শব্দ এটা মূল শব্দৰ লগত আন শব্দ বা ৰূপ যোগ হৈ গঠিত হৈছে সেইবোৰক সাধিত শব্দ  যথেষ্ট পৰিমাণে দেখিবলৈ পোৱা পোৱা যায়। সাধিত শব্দবোৰক গ ঠন অনুসৰি এনেদৰে ভাগ কৰি তলত দেখুওৱা হ'ল ------

* দুই ৰূপবিশিষ্ট

* তিনি ৰূপবিশিষ্ট

*** দুই ৰূপ বিশিষ্ট**

| কথিত মিচিং | অসমীয়া |
|---|---|
| আঃম | ধান |
| আপ্পুন | ফুল |
| আকিঃ | পেট |
| অঙ | মাছ |
| আপৃ | কণী |

*** তিনি ৰূপ বিশিষ্ট**

আৰৃগ 'খেতি' ইনৌ 'কৰা' আমি'মানুহ' আৰৃগ-ইনৌ-আমি'খেতিয়ক'

আমিগ্ 'চকু' পিৰতা 'ডাঙৰ' ইনৌ ' হোৱা ' আমিগ্ - পিৰতা-নৌ ' লুভীয়া'

আলাগ্ ' হাত' আৰাই' 'দীঘল' ইনৌ' হোৱা ' আলাগ্-আৰাই-নৌ ' চোৰ'

**দুটা ৰূপৰ সংযোগত:**

দুটা মুক্ত ৰূপৰ সংযোগত কথিত মিচিং ভাষাত নতুন শব্দৰ সৃষ্টি কৰা হয়। এনেধৰণৰ মুক্তাৰূপৰ সংযোগত সৃষ্টি হোৱা শব্দবোৰৰ পৰা নতুন শব্দৰ সৃষ্টিত দুয়োটা ৰূপৰে প্ৰথম অংশ লোপ পায়। উদাহৰণ --

মুক্তৰূপ+মুক্তৰূপ

| | | |
|---|---|---|
| বিশেষ্য | বিশেষ্য | বিশেষ্য |
| অঙ 'মাছ' | আচৃগ 'বাকলি' | ঙচৃগ্ ' মাছৰ বাকলি ' |
| আমি 'মানুহ' | আদিঃ 'পাহাৰ' | মিদিঃ'পাহাৰীয়া মানুহ ' |
| আলাগ্ 'হাত' | আমৃদ্ ' নোম' | লাগ্ মৃদ 'হাতৰ নোম' |

মুক্তৰূপ+ মুক্তৰূপ

| | | |
|---|---|---|
| বিশেষ্য | বিশেষণ | বিশেষ্য |
| আচি 'পানী' | গুনৌ 'গৰম' | চিগু 'গৰমপানী' |
| আচি 'পানী' | লেঃনৌ ' চেঁচা' | চিঃলে ' চেঁচাপানী' |
| অঙ 'মাছ' | চান্ নৌ 'শুকান' | ঙচান 'শুকতি মাছ' |

বদ্ধৰূপ+ মুক্তৰূপ

উপসৰ্গ+ক্ৰিয়ামূল বা ধাতু> বিশেষ্য

আ+ গে ' কৰা ' > আগেৰ 'কাম'

ক+নাম্ 'হোৰা' > কনাম্।  'তিতা'

চঃ+ নাম্  'কৰা ' > চঃনাম 'নাচ'

কথিত মিচিং ভাষাৰ কিছুমান  নতুন বিশেষ্য শব্দ গঠন কৰিবলৈ আলৌ' ভৰি' , আলাগ্ 'হাত' মিত্ তুগ 'মূৰ' মুক্তৰূপ যোগ দি সমবৰ্গীয় বিষমবৰ্গীয় আদি নতুন বিশেষ্য শব্দ গঠন কৰা হয়। উদাহৰণ ---

আলৌ' ভৰি' :

| বিশেষ্য | বিশেষ্য | বিশেষ্য |
|---|---|---|
| আলৌ'ভৰি' | আলং 'হাড়' | লৌলং' ভৰিৰ হাড়' |
| আলৌ'ভৰি' | আমৃদ ' নোম' | লৌমৃদ ' ভৰিৰ নোম ' |

আলাগ্ 'হাত':

আলাগ্ 'হাত'     আলং ' হাড়' লাগ্ লং ' হাতৰ হাড় '

আলাগ্ 'হাত'  আমৃদ্ ' নোম '  লাগ্ মৃদ ' হাতৰ নোম '

**জীৱ-জন্তুৱাচক শব্দ:** (উপসৰ্গৰ যোগত সাধিত শব্দ)

চি:

চি+ তৌ =চিতৌ  'হাতী'

চি+ ৰা  = চিৰা   'বনৰীয়া গাহৰি'

চি+ দুম= চিদুম ' সুগৰি পহু'

চি+ চুগ্ = 'শৰপহু '

মেন- :

মেন্ + জেগ্ = মেন্ জেগ্ ' ম'হ'

মেন্+ চাৰুং= মেন্ চাৰুং ' 'শিয়াল'

## ৩.১ কথিত অসমীয়া ভাষাৰ বিশেষ্য

কথিত অসমীয়া ভাষাৰ বিশেষ্য বুলিলে সেইবোৰ শব্দ বুজোৱা হয়, যিবোৰে মানুহ, ঠাই, বস্তু, প্ৰাণী, ভাব, গুণ বা অৱস্থাৰ নাম প্ৰকাশ কৰে। সাধাৰণতে "বিশেষ্য" (noun) হৈছে ভাষাত বস্তু বা ভাবৰ নাম সূচক শব্দ। কথিত বা মুখেৰে ব্যৱহাৰ হোৱা অসমীয়া ভাষাত এইবোৰ বিশেষ্য সাধাৰণকৈ প্ৰাকৃতিকভাৱে ব্যৱহৃত হয়।

উদাহৰণ স্বৰূপে কিছুমান কথিত অসমীয়া বিশেষ্য:

মানুহ ,ঘৰ , চকু ,ভাত ,বাৰিষা।

কথিত অসমীয়া ভাষাৰ বিশেষ্য হৈছে সেইবোৰ নামবাচক শব্দ যিবোৰ সাধাৰণ জনসাধাৰণৰ মুখৰ পৰা প্ৰচলিত ভাষাৰূপে ওলাই আহে আৰু দৈনন্দিন কথোপকথনত ব্যৱহৃত হয়। এইবোৰ বিশেষ্যত অঞ্চলভেদে আৰু গোষ্ঠীভেদে অলপ পৰিবৰ্তন দেখা যায়।

### ৩.১.১ সংজ্ঞাবাচক

যি বিশেষ্যই কোনো জাতি বা শ্ৰেণীৰ সাধাৰণ সংজ্ঞা বা নাম বুজায়। সেইবোৰেই সংজ্ঞাবাচক বিশেষ্য বুলি কোৱা হয়। সংজ্ঞাবাচক বিশেষ্যসমূহক দুটা ভাগত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল ----

* সাধাৰণ সংজ্ঞাবাচক বিশেষ্য

* বিশেষ সংজ্ঞাবাচক বিশেষ্য

*** সাধাৰণ সংজ্ঞাবাচক:**

কোনো জাতি বা শ্ৰেণীৰ সাধাৰণ নাম বুজোৱা বিখেইশ্ববোৰেই সাধাৰণ সংজ্ঞাবাচক বিশেষ্য। উদাহৰণস্বৰূপে --

| কথিত শব্দ | মান্য অসমীয়াত | ব্যাখ্যা |
|---|---|---|

| | | |
|---|---|---|
| মানুহ | মানুহ | ব্যক্তি/জন |
| খোৱা | খোৱা বস্তু (খাদ্য) | বস্তুবাচক |
| ঘৰ | ঘৰ | স্থানবাচক |
| গৰু | গৰু | প্ৰাণীবাচক |
| মৰম | মৰম | ভাববাচক |

*** বিশেষ সংজ্ঞাবাচক বিশেষ্য**

যি বিশেষ্যই মানুহৰ নাম, ঠাইৰ নাম, নদীৰ নাম, বস্তুৰ নাম ইত্যাদিক বিশেষভাৱে বুজায়। সেইবোৰেই বিশেষ সংজ্ঞাবাচক বিশেষ্য। উদাৰণস্বৰূপে --

মানুহৰ নাম --শিক্ষক, ৰহিম, মিচিং, ডাক্তৰ, মানুহ।

ঠাইৰ নাম - ডিব্ৰুগড় , তিনিচুকীয়া , গোলাঘাট, যোৰহাট, বৰপেটা।

নদীৰ নাম - ব্ৰহ্মপুত্ৰ,দিহিং, দিখৌ, লোহিত, কলং।

ফলমূলৰ নাম - আম, নাৰিকল, কল, আপেল, আঙুৰ, লিচু।

চৰাই - চিৰিকতিৰ নাম -- কপৌ, শালিকা, বগলী, মইনা, কুলি, কেতেকী।

জীৱ- জন্তুৰ নাম -- গৰু, ম'হ, কুকুৰ , বাঘ, সিংহ, হাতী, মেকুৰী।

খাদ্যবস্তুৰ নাম -- ভাত, মাছ মাংস, কণী, পিঠা , চিৰা আদি।

কথিত অসমীয়া ভাষাৰ বাৰৰ নামৰ গঠনৰ বিশেষ বৈশিষ্ট্য মন কৰিবলগীয়া।' সপ্তাহ ' শব্দ পিছত সংখ্যবাচক শব্দ যোগ দি বাৰৰ নামসমূহ গঠন কৰা হয়। উদাহৰস্বৰূপে ---

' সপ্তাহ '

সপ্তাহ + এক - সপ্তাহ এক - সোমবাৰ

সপ্তাহ + দুই - সপ্তাহ দুই -মঙ্গলবাৰ

সপ্তাহ+ তিনি - সপ্তাহ তিনি - বুধবাৰ

সপ্তাহ+ চাৰি - সপ্তাহ চাৰি - বৃহস্পতিবাৰ

সপ্তাহ+ পাঁচ - সপ্তাহ পাঁচ - শুক্রবাৰ

সপ্তাহ+ ছয় - সপ্তাহ ছয় - শনিবাৰ

সপ্তাহ+ সাত - সপ্তাহ সাত - দেওবাৰ

কথিত অসমীয়া ভাষাত কিছুমান ৰঙ বুজোৱা সংজ্ঞাবাচক বিশেষ্য শব্দবোৰৰ নাম হ'ল -

| কথিত অসমীয়া | মান্য অসমীয়া |
| --- | --- |
| ক'লা | ক'লা |
| ৰঙা | ৰঙা |
| বগা | বগা |
| হালধি | হালধীয়া |
| নিল | নীলা |
| বাদামি | বাদামী |

কথিত অসমীয়া ভাষাত নদীৰ নামবাচক শব্দবোৰ পানী বুজোৱা দি শব্দৰে নদীৰ নামবাচক শব্দ পোৱা যায়। উদাহৰস্বৰূপে -

দিখৌ, দিচাং, দিহিং, দিক্রং, দিবং আদি।

কথিত অসমীয়া ভাষাত চৰাইৰ নাম বুজোৱা 'চৰাই ' শব্দাংশেৰে আৰম্ভ হয়। চৰাইৰ মাত, গাৰ ৰং, প্রকৃতি অনুসৰি সৃষ্টি হৈছে। উদাহৰস্বৰূপে --

| | | |
| --- | --- | --- |
| 'চৰাই ' | শান্ত স্বভাৱ | কপৌ চৰাই |
| 'চৰাই ' | পেকপেক্ মাত | হাঁহ |

'চৰাই '    ক'লা    কাউৰী

'চৰাই '    বগা    বগলী

'চৰাই '    জুপ লৈ থকা    ফেঁচা

## ৩.১.২ সম্বন্ধবাচক

কথিত অসমীয়া ভাষাৰ সম্বন্ধবাচক বিশেষ্য মানুহৰ মাজত থকা সম্পৰ্কবোৰক নিৰ্দেশ কৰিব পৰা শব্দবোৰেই সম্বন্ধবাচক শব্দ। প্ৰত্যেক ভাষাৰ ক্ষেত্ৰতেই সম্বন্ধবাচক শব্দবোৰ এনেদৰে ভাগ কৰি ল'ব পাৰি।

* জন্মসূত্ৰে

* বৈবাহিক সূত্ৰে

* সামাজিক সম্পৰ্কে সূত্ৰে

কথিত অসমীয়া ভাষাৰ জন্মসূত্ৰে লাভ কৰা সম্বন্ধবাচক বিশেষ্য শব্দবোৰ হ'ল ------

আই

পিতাই

ককা

আইতা

আজো ককা

আজো আইতা

বৰদেউতা

বৰমা

খুৰা

খুৰী

দেউতাকৰ বায়েক

দেউতাকৰ ভিনিয়েক

মাকৰ বায়েক

মাকৰ ভিনিয়েক

মামা

মামী

ককাইদেউ

বাইদেউ

ভাই/ ভনী

পো/জী

নাতি/ নাতিনী

কথিত অসমীয়া ভাষাৰ বৈবাহিক সূত্ৰে হোৱা সম্বন্ধবাচক বিশেষ্য শব্দবোৰ হ'ল ----------

শহুৰ

শাহু

বোৱাৰী

জোঁৱাই

নাতি বোৱাৰী

খুলশালী (ল'ৰা)

খুলশালী( ছোৱালী)

ননদ

নবৌ

শালপতি

ভনীয়েকৰ গিৰিয়েক

সামাজিক সম্পৰ্ক অনুসৰি কথিত অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দবোৰ হ'ল -------

বন্ধু (সখা)

বান্ধৱী (সখী)

দুটা সম্বন্ধবাচক শব্দৰ সংযোগত আকৌ নতুন সম্বন্ধবাচক শব্দৰ গঠন কৰা হয়। উদাহৰস্বৰূপে -----

সন্তান বোৱাৰী নাতি বোৱাৰী

ককাই বায়েক শালপতি

**৩.১.৩ সংখ্যাবাচক**

কথিত অসমীয়া ভাষাৰ সংখ্যাবাচক বিশেষ্য শব্দসমূহৰ গঠন প্ৰণালী দুইধৰণেৰে ভাগ কৰিব পাৰি। সেইসমূহ হ'ল ------

* পৃথক শব্দ ব্যবহাৰদ্বাৰা

* যোগাত্মক পদ্ধতিৰদ্বাৰা

* পূৰণাত্মক পদ্ধতিৰদ্বাৰা

* পূৰণাত্মক আৰু যোগাত্মক

*** পৃথক শব্দ ব্যৱহাৰদ্বাৰা :**

কথিত অসমীয়া ভাষাত একৰপৰা দহলৈকে সংখ্যাবাচক শব্দবোৰ বুজাবলৈ পৃথক পৃথক শব্দব্যৱহাৰ কৰা হয়। উদাহৰণ ------

১- এক

২- দুই

৩- তিনি

৪- চাৰি

৫- পাঁচ

৬- ছয়

৭- সাত

৮- আঠ

৯- ন

১০- দহ

১০০ - শ

১০০০ -হাজাৰ

১০০০০০ - লাখ

*** যোগাত্মক পদ্ধতিৰদ্বাৰা :**

কথিত অসমীয়া ভাষাত এঘাৰৰপৰা ঊনৈশলৈকে যোগাত্মক পদ্ধতিৰদ্বাৰা দহৰ লগত একৰপৰা নলৈকে সংখ্যাবাচক শব্দবোৰ যোগ কৰি গঠন কৰা হয়। দহৰ লগত এক যোগ হওঁতে নতুন শব্দ গঠন হয়। উদাহৰণস্বৰূপে -----

দহ(১০)+এক(১)= এঘাৰ (১১)

দহ (১০)+ দুই(২) = বাৰ (১২)

দহ (১০) + তিনি (৩)=তেৰ (১৩)

দহ (১০) + চাৰি (৪) = চৈধ্য (১৪)

দহ (১০)+ পাঁচ (৫)= পোন্ধৰ (১৫)

দহ (১০) + ছয় (৬)=ষোল্ল (১৬)

দহ (১০)+ সাত (৭) = সোতৰ (১৭)

দহ(১০)+আঠ(৮)=ওঠৰ(১৮)

দহ (১০)+ ন (৯)= ঊনৈশ (১৯)

*** পূৰাণাত্মক পদ্ধতি:**

কথিত অসমীয়া ভাষাত পূৰণাত্মক পদ্ধতিৰদ্বাৰা যেনে - বিশ, ত্ৰিশ, চল্লিশ , পঞ্চাশ, ষাঠি, সত্তৰ, আশী, নব্বৈলৈকে অৰ্থাৎ দহৰ লগত ক্ৰমে এক , দুই, তিনি, চাৰি, আদি সংখ্যা পূৰণ কৰা হয়। উদাহৰস্বৰূপে ---

দহ (১০)× দুই (২)= বিশ (২০)

দহ (১০)× তিনি (৩)= ত্ৰিশ (৩০)

দহ (১০)× চাৰি (৪)=চল্লিশ(৪০)

দহ (১০)× পাঁচ (৫)= পঞ্চাশ (৫০)

দহ (১০)× ছয় (৬)= ষাঠি (৬০)

দহ(১০)×সাত(৭)= সত্তৰ (৭০)

দহ (১০)× আঠ (৮)=আশী (৮০)

দহ (১০)× ন (৯)=নব্বৈ (৯০)

* পূৰণাত্মক আৰু যোগাত্মক পদ্ধতি:

পূৰণাত্মক আৰু যোগাত্মক পদ্ধতিৰদ্বাৰা কথিত অসমীয়া ভাষাত ' বিশৰপৰা একৈশ, একত্রিশৰপৰা ঊনত্রিশ, একচল্লিশৰপৰা ঊনপঞ্চাশ, একাৱনৰপৰা ঊনষাঠি, এষষ্ঠিৰপৰা ঊনসত্তৰ, একসত্তৰৰপৰা ঊনাশী, একাশীৰপৰা ঊনানব্বৈ, একানব্বৈৰপৰা নিৰানব্বৈ পূৰণাত্মক আৰু যোগাত্মক পদ্ধতিৰদ্বাৰা এই সংখ্যাবাচক শব্দসমূহ গঠন কৰা হয়। উদাহৰস্বৰূপে ----

দহ (১০)× দুই (২)+এক (১)= দহ - দুই - এক ' একৈশ '

দহ (১০)× তিনি (৩)+এক (১)=দহ - তিনি- এক 'একত্রিশ'

দহ (১০)× চাৰি (৪)+ দুই(২)=দহ - চাৰি - দুই ' 'বিয়াল্লিশ '

দহ (১০)× পাঁচ (৫)+তিনি (৩)=দহ - পাঁচ - তিনি ' তেপ্পন'

দহ (১০)× ছয় (৬)+ দুই (২) = দুই - ছয় - দুই ' বাষষ্ঠি

দহ (১০)× সাত (৭)+চাৰি (৪)=দহ - সাত - চাৰি ' 'চৌসত্তৰ '

দহ (১০)× আঠ (৮)+ছয় (৬)=' ছয়াশী '

দহ (১০)× ন (৯)+এক (১)=দহ - ন - এক 'একানব্বৈ'

অসমীয়া ভাষাৰ ক্রমিক নম্বৰৰ গঠন প্রণালী দুটা। সেইকেইটা হ'ল ------

* স্বতন্ত্র শব্দৰ ব্যৱহাৰ

* যোগাত্মক পদ্ধতিৰদ্বাৰা

*** স্বতন্ত্র শব্দৰ ব্যৱহাৰ**

স্বতন্ত্র শব্দৰ ব্যৱহাৰৰদ্বাৰা অসমীয়া ভাষাৰ প্রথমটো ক্রমিক নম্বৰ বুজোৱা হয়। ইয়াত ' এক ' বুজোৱা সংখ্যাবাচক শব্দৰ সলনি অন্য শব্দ গঠন হয়। যেনে -----

এক (১) = প্রথম

*** যোগাত্মক পদ্ধতিৰদ্বাৰা**

যোগাত্মক পদ্ধতিৰে কথিত অসমীয়া ভাষাত ক্ৰমিক নম্বৰ গঠন কৰিবলৈ সংখ্যাবাচক শব্দৰ পিছত অন্য শব্দৰে ক্ৰমিক নম্বৰ বুজোৱা শব্দবোৰ গঠন কৰা হয়। উদাহৰস্বৰূপে -----

দুই (২)- দ্বিতীয়

তিনি (৩)- তৃতীয়

চাৰি (৪)- চতুৰ্থ

পাঁচ (৫)- পঞ্চম

*** কথিত অসমীয়া ভগ্নাংশ বুজোৱা শব্দ**

কথিত অসমীয়া ভগ্নাংশ বুজোৱা শব্দবোৰৰ গঠন প্ৰণালীও দুটা। সেইকেইটা হ'ল ---

* পৃথক শব্দৰ ব্যৱহাৰ

* যোগাত্মক পদ্ধতিৰদ্বাৰা

কথিত অসমীয়া ভাষাত কোনো বস্তুৰ জোখ বুজাবলৈ কিছুমান শব্দৰ প্ৰয়োগ কৰে। এই শব্দই কোনো বস্তুৰ জোখ বুজাবলৈ ' এপোৱা ' ক নিৰ্দেশ কৰে। উদাহৰস্বৰূপে -

১/৪ (এক  চতুৰ্থাংশ)

২/৪(দুই চতুৰ্থাংশ)

৩/৪ ( তিনি চতুৰ্থাংশ)

৪/৪ (সম্পূৰ্ণ এক)

*** সংখ্যাবাচক বিশেষণ শব্দ**

কথিত অসমীয়া ভাষাত ক্ৰিয়া বিশেষণৰ সংখ্যাবাচক ৰূপ কিছুমান পোৱা যায়। সাধাৰণতে দিন - বাৰ, মাহ, বছৰ আদি বুজোৱা শব্দৰ পিছত অন্য বদ্ধৰূপ যোগ দি এই সংখ্যাবাচক বিশেষণৰ ৰূপবোৰ গঠন কৰা হয়।

টকা পইচা বুজোৱা শব্দৰ পিছত বদ্ধৰূপ যোগ দি সংখ্যাবাচক বিশেষণ শব্দবোৰ গঠন কৰা হয়। উদাহৰস্বৰূপে-

---

এবাৰকৈ

দুবাৰকৈ

এমহীয়াকৈ

এটকীয়া( এটকাকৈ)

**যুগ্ম সংখ্যাবাচক শব্দ:**

যুগ্ম সংখ্যাবাচক শব্দবোৰ যোৰ বুজোৱা সংখ্যাবাচক শব্দ যোগ দি নতুন শব্দ গঠন কৰা হয়। উদাহৰস্বৰূপে ---

যোৰ+ এক= এযোৰ

যোৰ+ দুই=দুযোৰ

যোৰ+ তিনি= তিনিযোৰ

যোৰ+ চাৰি=চাৰিযোৰ

যোৰ+ পাঁচ= পাঁচযোৰ

**পৰিমাণবাচক শব্দ:**

পৰিমাণবাচক শব্দবোৰে মানুহ আৰু অন্যান্য প্ৰাণীবাচক আৰু অপ্ৰাণীবাচক বস্তুৰ পৰিমাণক বুজায়। এই শব্দবোৰে অনিৰ্দিষ্টকৈ পৰিমাণক নিৰ্দেশ কৰে। কথিত অসমীয়া ভাষাত এনেধৰণৰ পৰিমাণবাচক শব্দ কিছুমান পোৱা যায়। উদাহৰস্বৰূপে -------

অলপ

বহুত

কিছুমান

## ৩.২ কথিত মিচিং ভাষাৰ বিশেষ্য

বিভিন্ন মানুহৰ নাম, নদীৰ নাম, জীৱ- জন্তুৰ নাম বুজোৱা শব্দবোৰক বিশেষ্য বোলে। কথিত মিচিং ভাষাত বিশেষ্য শব্দবোৰক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি। যেনে - মৌলিক আৰু সাধিত। যিবোৰ শব্দ এটা মূল শব্দৰ লগত আন শব্দ বা ৰূপ যোগ হৈ গঠিত হৈছে সেইবোৰক সাধিত শব্দ বোলা হয়। মিচিং ভাষাটো সাধিত শব্দ যথেষ্ট পৰিমাণে দেখিবলৈ পোৱা যায়। সাধিত শব্দবোৰক গঠন অনুসৰি এনেদৰে ভাগ কৰিব পাৰি ----

* দুই ৰূপবিশিষ্ট

* তিনি ৰূপবিশিষ্ট

দুই ৰূপবিশিষ্টৰ উদাহৰণ :

অঙ'মাছ' আকিঃ'পেট' ঙকিঃ' মাছৰ পেটু'

তিনি ৰূপবিশিষ্টৰ উদাহৰণ:

আলাগ্ 'হাত' আৰাই'দীঘল' ইনৌ'হোৰা' আলাগ্ -আৰাই-নৌ ‘চোৰ'

### ৩.২.১ সংজ্ঞাবাচক

যি বিশেষ্যই কোনো জাতি বা শ্ৰেণীৰ সাধাৰণ সংজ্ঞা বা নাম বুজায় , সেইবোৰকেই সংজ্ঞাবাচক বিশেষ্য বুলি কোৱা হয়। সংজ্ঞাবাচক বিশেষ্য বুলি কোৱা হয়। সংজ্ঞাবাচক বিশেষ্যসমূহক দুটা ভাগত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল --

* সাধাৰণ সংজ্ঞাবাচক বিশেষ্য

* বিশেষ সংজ্ঞাবাচক বিশেষ্য

*** সাধাৰণ সংজ্ঞাবাচক বিশেষ্য**

কোনো জাতি বা শ্ৰেণীৰ সাধাৰণ নাম বুজোৱা বিশেষ্য বোৰকেই সাধাৰণ সংজ্ঞাবাচক বিশেষ্য বুলি কোৱা হয়। ই কোনো জাতি বা শ্ৰেণীৰ নাম বিশেষভাৱে বুজায়। উদাহৰস্বৰূপে----

| কথিত মিচিং | অসমীয়া |
|---|---|
| আমি | মানুহ |
| চবৌ | গৰু |
| চবেন | ছাগলী |
| পৌতাং | চৰাই |
| তাবৌঃ | সাপ |
| চিতৌ | হাতী |
| ইকিঃ | কুকুৰ |

*** বিশেষ সংজ্ঞাবাচক বিশেষ্য**

কথিত মিচিং ভাষাত যি বিশেষ্যই মানুহৰ নাম, ঠাইৰ নাম, নদীৰ নাম, বস্তুৰ নাম - ইত্যাদিক বিশেষভাৱে বুজায়, সেইবোৰকেই বিশেষ সংজ্ঞাবাচক বিশেষ্য বুলি কোৱা হয়। উদাৰণস্বৰূপে --

মানুহৰ নাম: কাংকান, লঃলাত, পুনয়ৌম, ৰোৱাদ, পলঃ আদি।

ঠাইৰ নাম : দাম্বুক, বদাক, জনাই, গোগামুখ আদি।

নদীৰ নাম: চিয়াং, তামাক, দিহাং, চিমেন আদি।

ফল -মূলৰ নাম - ঙিনটি( মিঠা আলু),কপাগ্(কল),কেঃদি(আম )আদি।

চৰাই চিৰিকটিৰ নাম: পৰক ( কুকুৰা), পৌঃজাপ ( হাঁহ) , টাংকৌঃ( কপৌ চৰাই) আদি।

জীৱ - জন্তুৰ নাম: মেন্দাৰি ( মেকুৰী) , গুৰেঃ ( ঘোঁৰা) , ইকিঃ ( কুকুৰ) , চিতৌ ( হাতী) আদি।

খাদ্যবস্তুৰ নাম: আমবৌনঃ ( চাউল),আলঃ ( নিমখ) আদি।

কথিত মিচিং ভাষাৰ বাৰৰ নামৰ গঠন বিশেষ বৈশিষ্ট্য মন কৰিবলগীয়া 'সপ্তাহ ' বুজোৱা শব্দৰ পিছত সংখ্যাবাচক শব্দ যোগ দি বাৰৰ নামসমূহ গঠন কৰা হয়। তলত কথিত অসমীয়া ভাষাৰ বাৰৰ নামসমূহ গঠন উদাহৰণেৰে সৈতে দেখুওৱা হ'ল -------

* অপতাং' সপ্তাহ '

অপতাং ' সপ্তাহ ' + আক 'এক' - অপতাং আক-  আকৌনলৌঙেঃ 'সোমবাৰ'

অপতাং ' সপ্তাহ ' + আনঞি' 'দুই '-  অপতাং আনঞি - উয়ুলৌঙেঃ' মঙ্গলবাৰ'

অপতাং ' সপ্তাহ ' + আউম ' 'তিনি ' - অপতাং আউম- লৃগাং লৌঙেঃ' বুধবাৰ '

অপতাং ' সপ্তাহ' + আপপি' চাৰি' - অপতাং আপপি- আবুলৌঙেঃ' বৃহস্পতিবাৰ '

অপতাং ' সপ্তাহ ' + আংঙ'পাঁচ' - অপতাং আংঙ - ৰোতোমলৌঙেঃ' শুক্ৰবাৰ '

অপতাং ' সপ্তাহ ' + আককৌং' ছয়' - অপতাং আককৌং- ৰোঞিঃলৌঙেঃ 'শণিবাৰ'

অপতাং 'সপ্তাহ' + কৃনৃদ' সাত ' - অপতাং কৃনৃদ - দঃঞিলৌঙেঃ ' দেওবাৰ'

কথিত মিচিং ভাষাত ৰঙৰ নাম বুজাবৰ বাবে মূলৰূপৰ লগত বদ্ধৰূপ এটাৰ যোগ দিয়া হয়। উদাহৰস্বৰূপে ---

| কথিত মিচিং | অসমীয়া |
|---|---|
| য়াকানৌ' | ক'লা |
| য়াচিনৌ' | বগা |
| টুপুননৌ' | হালধীয়া |

কথিত মিচিং ভাষাত চৰাইৰ নাম বুজোৱা শব্দবোৰ ' 'পৌতাং ' শব্দাংশেৰে আৰম্ভ হয়। চৰাইৰ গাৰ ৰং অনুসৰি সৃষ্টি হৈছে। উদাৰণস্বৰূপে --

পৌতাং ' চৰাই ' য়াকা ' ক'লা ' পৌআক' কাউৰী'

পৌতাং 'চৰাই' য়াচি ' বগা' বগলী'বগলী'

পৌতাং ' চৰাই ' আগামনৌঃ ' শান্ত স্বভাৱ ' তাংকৌঃ ' কপৌ চৰাই '

**৩.২.২ সম্বন্ধবাচক**

মানুহৰ মাজত থকা সম্পৰ্কবোৰক নিৰ্দেশ কৰিব পৰা শব্দবোৰেই সম্বন্ধবাচক শব্দ। প্ৰত্যেক ভাষাৰ ক্ষেত্ৰতেই সম্বন্ধবাচক শব্দবোৰো জন্মসূত্ৰে, বৈবাহিক সূত্ৰে আৰু সামাজিক সম্পৰ্কসূত্ৰে গঢ় লয়। কথিত মিচিং ভাষাৰ সম্বন্ধবাচক শব্দবোৰ এনেদৰে ভাগ কৰিব পাৰি।

* জন্মসূত্ৰে

* বৈবাহিক সূত্ৰে

* সামাজিক সম্পৰ্ক সূত্ৰে

কথিত মিচিং ভাষাৰ জন্মসূত্ৰে লাভ কৰা সম্বন্ধবাচক বিশেষ্য শব্দবোৰ হ'ল ---

| কথিত মিচিং | অসমীয়া |
|---|---|
| নান/ নানৌ | আই, মা |
| বাৱৌ/ বাঃবৌ | দেউতা, পিতৃ, পিতা |
| বাবই/ আজ্জি বাবই | খুৰা / সৰু দেউতা |
| তাতঃ | ককা |
| তকু তাতঃ | আজো ককা |
| য়ায়ঃ | আইতা |

| | |
|---|---|
| তকু য়ায়ঃ | আজো আইতা |
| য়াঞিঃ | পেহী |
| য়ৰই/ ৰয় | খুৰী |
| ক | ল'ৰা |
| কঃনেং | ছোৱালী |
| আৰ | পুত্ৰ |
| অমৌ | জী |
| বৌৰ্ | ভ্ৰাতৃ |

কথিত মিচিং ভাষাৰ বৈবাহিক সূত্ৰে হোৱা সম্বন্ধবাচক বিশেষ্যবোৰ হ'ল ---

| কথিত মিচিং | অসমীয়া |
|---|---|
| আত্ | শহুৰ দেউতা |
| আয়্ | শহুৰ বুঢ়ী |
| য়িগ্ | খুলশালী (ল'ৰা) |
| য়িগ্ নৌ | খুলশালী ( ছোৱালী) |
| মাঃমৌ | বৌ |
| কৌদান | বিয়ৈ |
| আলপতি | শালপতি |
| য়ামৌং | বোৱাৰী |
| নৌং/ য়ামনৌ | ঘৈণীয়েক |

| | |
|---|---|
| মিলবং/মিল্ | গিৰিয়েক |

সামাজিক সম্পৰ্ক অনুসৰি কথিত মিচিং ভাষাৰ সম্বন্ধবাচক শব্দবোৰ হ'ল ---

| কথিত মিচিং | অসমীয়া |
|---|---|
| আজন | লগৰীয়া |
| মিনম | আলহী |
| পাগব্ | চাকৰ |
| পাগনৌ | চাকৰণী |
| মিগাং | শ্ৰীযুত |
| মিমেঃ | শ্ৰীযুক্তা |

কথিত মিচিং ভাষাৰ সম্বন্ধবাচক শব্দ কিছুমান 'আ ' বৰ্ণৰে আৰম্ভ হৈছে। উদাহৰস্বৰূপে ---

| কথিত মিচিং | অসমীয়া |
|---|---|
| আত্ | শহুৰ দেউতা |
| আয়্ | শহুৰ বুঢ়ী |
| আজন | লগৰীয়া |
| আৰ | পুত্ৰ/ পো |

কথিত মিচিং ভাষাত জ্যেষ্ঠসকলক বুজাবলৈ 'আবৌনৌঃ ' ৰূপ এটাৰ যোগ হোৱা দেখিবলৈ পোৱা যায়। উদাৰণস্বৰূপে ---

| কথিত মিচিং | অসমীয়া |
|---|---|
| আবৌনৌঃ বায়েং | ডাঙৰ বা |
| আবৌনৌঃ কাইয়েং | ডাঙৰ দাদা |

দুটা সম্বন্ধবাচক শব্দৰ সংযোগত আকৌ নতুন সম্বন্ধ বাচক শব্দৰ গঠন কৰা হয়। উদাৰণস্বৰূপে ----

আৰ ' সন্তান' য়ামৌং ' বোৱাৰী ' আৰ য়ামৌং 'নাতি বোৱাৰী '

### ৩.২.৩ সংখ্যাবাচক

কথিত মিচিং ভাষাৰ সংখ্যাবাচক বিশেষ্য শব্দবোৰৰ গঠন প্রণালীক দুই ধৰণেৰে ভাগ কৰিব পাৰি। সেইসমূহ হৈছে ---

* পৃথক শব্দ ব্যবহাৰৰ দ্বাৰা
* যোগাত্মক পদ্ধতিৰদ্বাৰা
* পূৰণাত্মক পদ্ধতিৰদ্বাৰা
* পূৰণাত্মক আৰু যোগাত্মক পদ্ধতিৰদ্বাৰা

*** পৃথক শব্দ ব্যৱহাৰৰ দ্বাৰা**

কথিত মিচিং ভাষাত একৰপৰা দহলৈকে সংখ্যাবাচক শব্দবোৰ বুজাবলৈ পৃথক পৃথক শব্দ ব্যৱহাৰ কৰা হয়। উদাহৰস্বৰূপে ------

| কথিত মিচিং | অসমীয়া |
|---|---|
| আক | এক |
| আনঞিঃ | দুই |
| আউম | তিনি |

| | |
|---|---|
| আপপি | চাৰি |
| আংঙ | পাঁচ |
| আককৌ | ছয় |
| কৃনৃদ | সাত |
| পিঃঞ্জি | আঠ |
| কনাং | ন |
| অৃয়িং | দহ |
| লৃংক | শ |

*** যোগাত্মক পদ্ধতিৰ দ্বাৰা**

কথিত মিচিং ভাষাত এঘাৰৰ পৰা ঊনৈশলৈকে যোগাত্মক পদ্ধতিৰ দ্বাৰা অৃয়িং(দহ) ৰ লগত একৰপৰা নলৈকে সংখ্যাবাচক শব্দবোৰ যোগ কৰি গঠন কৰা হয়। উদাহৰস্বৰূপে ------

| কথিত মিচিং | অসমীয়া |
|---|---|
| অৃয়িং+ কলাং+ আক-= অৃয়িং -কলাং-আক | 'এঘাৰ' |
| অৃয়িং+ কলাং+ আনঞ্জি= অৃয়িং -কলাং-আনঞ্জি | 'বাৰ' |
| অৃয়িং+কলাং+ আউম= অৃয়িং -কলাং-আউম | 'তেৰ' |
| অৃয়িং+কলাং+ আপপি= অৃয়িং-কলাং-আপপি | 'চৈধ্য' |
| অৃয়িং+কলাং+ আককে= অৃয়িং - কলাং- আককে | 'ষোল্ল' |
| অৃয়িং+কলাং+ কৃনৃদঃ= অৃয়িং -কলাং- কৃনৃদ | 'সোতৰ' |
| অৃয়িং+ কলাং+ পিঃঞ্জি= অৃয়িং - কলাং- পিঃঞ্জি- | ওঠৰ |

অৃয়িং+কলাং+ কনাং= অৃয়িং -কলাং-কনাং ঊনৈশ

*** পূৰণাত্মক পদ্ধতিৰ দ্বাৰা**

কথিত মিচিং ভাষাত বিশ, ত্ৰিশ, চল্লিশ, পঞ্চাশ, ষাঠি, সত্তৰ, আশী, নব্বৈলৈকে অৃয়িং অৰ্থাৎ ' ৰ লগতে ক্ৰমে এক, দুই, তিনি, আদি সংখ্যা পূৰণ কৰা হয়। উদাৰণস্বৰূপে ------

| কথিত মিচিং | অসমীয়া |
|---|---|
| অৃয়িং × আনঞি= অৃয়িং - আনঞি | বিশ |
| অৃয়িং ×আউম = অৃয়িং - আউম | ত্ৰিশ |
| অৃয়িং × আপপি= অৃয়িং - আপপি | চল্লিশ |
| অৃয়িং × আঙঙ= অৃয়িং – আঙঙ | পঞ্চাশ |
| অৃয়িং ×আককৌং= অৃয়িং - আককৌং | ষাঠি |
| অৃয়িং × কৃনৃদ= অৃয়িং- কৃনৃদ | সত্তৰ |
| অৃয়িং × পিঃঞি= অৃয়িং - পিঃঞি | আশী |
| অৃয়িং × কনাং= অৃয়িং - কনাং | নব্বৈ |

*** পূৰণাত্মক আৰু যোগাত্মক পদ্ধতিৰ দ্বাৰা**

কথিত মিচিং ভাষাত বিশৰপৰা একৈশ, একত্ৰিশৰপৰা ঊনত্ৰিশ, একচল্লিশৰপৰা ঊনপঞ্চাশ, একাৱনৰপৰা ঊনষাঠি, এষষ্ঠিৰপৰা ঊনসত্তৰ, একসত্তৰৰপৰা ঊনাশী, একাশীৰপৰা ঊনানব্বৈপৰা নিৰানব্বৈলৈকে পূৰণাত্মক আৰু যোগাত্মক পদ্ধতিৰদ্বাৰা এই সংখ্যাবাচক শব্দসমূহ গঠন কৰা হয়। উদাৰণস্বৰূপে ------

| কথিত মিচিং | অসমীয়া |
|---|---|
| অৃয়িং× আনঞি+ কলাং+ আক-= অৃয়িং - আনঞি -কলাং-আক | এৰৈশ |
| অৃয়িং ×আউম+ কলাং+আক-= অৃয়িং -আউম-কলাং-আক | একত্ৰিশ |

অ়িয়িং ×আপপি+ কলাং+ আনঞি= অ়িয়িং - আপপি-কলাং- আনঞি বিয়াল্লিছ

অ়িয়িং × আঙঙ+ কলাং+আউম= অ়িয়িং - আঙঙ- কলাং -আউম তেপ্পন

অ়িয়িং × আককৌং+ কলাং+ আনঞি= অ়িয়িং - আককৌং-কলাং- আনঞি বাষষ্ঠি

অ়িয়িং ×কৃনৃদ+ কলাং+আপপি= অ়িয়িং - কৃনৃদ - কলাং - আপপি চৌসত্তৰ

অ়িয়িং × পিঃঞি+ কলাং+ আককৌং = অ়িয়িং - পিঃঞি - কলাং -আককৌং ছয়াশী

অ়িয়িং × কনাং+ কলাং+ আক-= অ়িয়িং - কনাং- কলাং- আক্ একানব্বৈ

কথিত মিচিং ভাষাৰ ক্ৰমিক নম্বৰ:

কথিত মিচিং ভাষাৰ ক্ৰমিক নম্বৰৰ গঠন প্ৰণালী দুটা। সেইকেইটা হ'ল ------

* স্বতন্ত্ৰ শব্দৰ ব্যৱহাৰ

* যোগাত্মক পদ্ধতিৰদ্বাৰা

শ্বতন্ত্ৰ শব্দৰ ব্যৱহাৰৰ দ্বাৰা কথিত মিচিং ভাষাৰ প্ৰথমটো ক্ৰমিক নম্বৰ বুজোৱা হয়। ইয়াত ' এক 'বুজোৱা সংখ্যাবাচক শব্দ ' আক' শব্দৰ সলনি ' আক' শব্দটোৰ লগত ' নৌ' বদ্ধৰূপ যোগ দিয়া হয়। যেনে ---------

আক- নৌ = আকনৌ 'প্ৰথম'

যোগাত্মক পদ্ধতিৰে কথিত মিচিং ভাষাত ক্ৰমিক নম্বৰ গঠন কৰিবলৈ সংখ্যাবাচক শব্দৰ পিছত 'নৌ ' বদ্ধৰূপ যোগ দি ক্ৰমিক নম্বৰ বুজোৱা শব্দবোৰ গঠন কৰা হয়। উদাৰণস্বৰূপে -----

আনঞি 'দুই'+ নৌ= দ্বিতীয়

আউম 'তিনি'+ নৌ= তৃতীয়

আপপি 'চাৰি' + নৌ = চতুৰ্থ

আঙঙ ' পাঁচ' + নৌ = পঞ্চম

**সংখ্যাবাচক বিশেষণ শব্দ:**

কথিত মিচিং ভাষাত ক্ৰিয়া বিশেষণৰ সংখ্যাবাচক ৰূপ কিছুমান পোৱা যায়। সাধাৰণতে দিন, বাৰ, মাহ, বছৰ , আদি বুজোৱা শব্দৰ পিছত অন্য বদ্ধৰূপ যোগ দি এই সংখ্যাবাচক বিশেষণৰ ৰূপবোৰ গঠন কৰা হয়। টকা পইচা বুজোৱা শব্দৰ পিছত বদ্ধৰূপ যোগ দি সংখ্যাবাচক বিশেষণ শব্দবোৰ গঠন কৰা হয়৷ উদাহৰস্বৰূপে --

| কথিত মিচিং | অসমীয়া |
| --- | --- |
| আনঞিকঃ | দুবাৰকৈ |
| আউমকঃ | তিনিবাৰকৈ |
| আপপিকঃ | চাৰিবাৰকৈ |

**পৰিমাণবাচক শব্দ:**

পৰিমাণবাচক শব্দবোৰে মানুহ আৰু অন্যান্য প্ৰাণীবাচক বস্তুৰ পৰিমাণক বুজায়। এই শব্দবোৰে অ নিৰ্দিষ্টকৈ পৰিমাণক নিৰ্দেশ কৰে। কথিত মিচিং ভাষাত এনেধৰণৰ পৰিমাণবাচক শব্দ কিছুমান পোৱা যায়। উদাহৰস্বৰূপে ------

আদজৌকৌ--- অলপ

দেগকৌ --- বহুত

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত অসমীয়া ভাষাৰ বিশেষ্যৰ গঠন প্ৰক্ৰিয়া অধ্যয়ণ কৰোঁতে দেখিবলৈ পোৱা গ'ল যে -----

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত মিচিং ভাষাৰ বিশেষ্য আৰু মান্য অসমীয়া ভাষাৰ বিশেষ্য সম্পৰ্কে জানিব পৰা গ'ল ।এই অঞ্চলত মিচিংসকলে মান্য অসমীয়া আৰু কথিত মিচিং ভাষা ব্যৱহাৰ কৰে। কথিত মিচিং আৰু মান্য অসমীয়া ভাষাৰ সংযোগত সৃষ্টি হোৱা কথিত ৰূপৰ প্ৰয়োগ দেখিবলৈ পোৱা গৈছে। তাৰ ফলত মিচিং - অসমীয়া ভাষাৰ সৃষ্টি হৈছে। শিক্ষিত মানুহে আনুষ্ঠানিক সময়ত কথিত মিচিং ভাষাই প্ৰয়োগ কৰেআৰু চাকৰিৰ সূত্ৰে মান্য অসমীয়া ভাষাৰ ব্যবহাৰ কৰা দেখা যায়। ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ বিশেষ্য শব্দবোৰ কথিত মিচিং আৰু মান্য অসমীয়া এই দুয়োটা ৰূপতে ব্যৱহাৰ দেখা পোৱা যায়।

## ৪.০ ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত মিচিং ভাষাৰ শব্দৰ গঠন আৰু প্ৰকাৰ

বিশেষণবোৰ হ'ল নামপদৰ দোষ -গুণ, অৱস্থা, পৰিমাণ আদি বুজোৱা পদসমূহ। কথিত মিচিং ভাষাৰ বিশেষণ শব্দবোৰ বিশেষ্য পদৰ আগত যোগ হয়। উদাহৰণ -

| কথিত মিচিং | অসমীয়া |
|---|---|
| আইনৌ | ভাল |
| আইনৌ ক | ভাল ল'ৰা |
| য়াচিনৌ | বগা |
| য়াচিনৌ আপ্পুন | বগা ফুল |

গঠনৰ ফালৰপৰা কথিত মিচিং ভাষাৰ বিশেষণ শব্দবোৰক দুটা ভাগত ভাগ কৰিব পাৰি -

* মৌলিক বিশেষণ

* যৌগিক বিশেষণ

*** মৌলিক বিশেষণ**

স্বয়ংসম্পূৰ্ণভাৱে অৰ্থ প্ৰকাশ কৰিব পৰা বিশেষণ পদবোৰক মৌলিক বিশেষণ শব্দৰ শাৰীত অন্তৰ্ভুক্ত কৰা হৈছে। উদাহৰস্বৰূপে

| কথিত মিচিং | অসমীয়া |
|---|---|
| য়াকানৌ | ক'লা |
| য়াগেঃনৌ | সেউজীয়া |
| আন্ দৌংনৌ | চুটি |
| অউদ্ | ওখ |

গুনৌ গৰম

*** যৌগিক বিশেষণ**

কথিত মিচিং ভাষাৰ যৌগিক বিশেষণ শব্দবোৰ মৌলিক শব্দৰ লগত আন ৰূপৰ সংযোগত সৃষ্টি হয় । এনেদৰে মৌলিক শব্দৰ লগত আন ৰূপ যোগ হৈ যৌগিক বিশেষণ শব্দৰ গঠন কৰা হয়। এই শব্দবোৰে এটা এটা স্বয়ংসম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব পাৰে। উদাৰণস্বৰূপে -

বিশেষ্য শব্দৰ লগত বদ্ধৰূপ বিশেষ্যৰ লগত ক্ৰিয়ামূল সংযোগত যৌগিক বিশেষণ শব্দৰ গঠন কৰা হয়। উদাহৰণস্বৰূপে -

আমিগ্ 'চকু'+ মিগ্ লৌ ( বদ্ধৰূপ) = আমিগ্ মিগ্ লৌ 'অন্ধ'

আলৌঃ 'ভৰি'+ আমনৌ(বদ্ধৰূপ) = আলৌঃআমনৌ ' খুড়া'

মাগ্ মৌন 'বেঙা' + নৌঃ= মাগ্ মৌননৌ ' অকঁৰা'

ছিমাদ্ 'পগলা' + নৌ = ছিমাদ্ নৌ 'পগলা'

কথিত মিচিং ভাষাত এনেদৰে বিশেষণ শব্দৰ লগত অন্যান্য ৰূপ যোগ হৈ বহুতো বিশেষণ শব্দ গঠন কৰা হয়।

## ৪.১ কথিত অসমীয়া ভাষাৰ বিশেষণ

নামপদৰ দোষ, গুণ বুজোৱা শব্দবোৰক বিশেষণ বোলে। কথিত অসমীয়া ভাষাৰ বিশেষণ শব্দবোৰক গঠনৰ ফালৰপৰা দুটা ভাগত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল -

* মৌলিক বিশেষণ

* যৌগিক বিশেষণ

*** মৌলিক বিশেষণ**

স্বয়ংসম্পূৰ্ণভাৱে অৰ্থপ্ৰকাশ কৰিবপৰা বিশেষণ পদবোৰেই মৌলিক বিশেষণ শব্দ বোলে। উদাহৰস্বৰূপে -

ৰঙা, কলা, বগা, গৰম, ঠাণ্ডা, ভাল, বেয়া আদি।

*** যৌগিক বিশেষণ**

কথিত অসমীয়া ভাষাৰ যৌগিক বিশেষণ শব্দবোৰ মৌলিক বিশেষণ শব্দৰ লগত আন ৰূপৰ সংযোগত সৃষ্টি হয়। এনেদৰে মৌলিক শব্দৰ লগত আন ৰূপ যোগ হৈ যৌগিক বিশেষণ শব্দৰ গঠন হয়। উদাৰণস্বৰূপে -

চকু+ নেদেখা= অন্ধ

ভৰি+ সৰু= খুড়া

পেট+ ফুলি থকা= পেটুৰা

কাজিয়া + কৰা = দন্দুৰী

আপচু+ ছোৱালী= ঢেপেচী

কথিত অসমীয়া ভাষাৰ বিশেষণ শব্দবোৰক তিনিটা ভাগত ভাগ কৰিব পাৰি।

* বিশেষ্যৰ বিশেষণ

* বিশেষণৰ বিশেষণ

* ক্ৰিয়া বিশেষণ

## ৪.১.১ বিশেষ্যৰ বিশেষণ

বিশেষ্যৰ বিশেষণবোৰ হ'ল  বিশেষ্যৰ দোষ -গুণ , অৱস্থা, পৰিমাণ আদিক বুজোৱা বিশেষণ শব্দবোৰক বিশেষ্যৰ বিশেষণ বুলি কোৱা হয়। উদাহৰস্বৰূপে -

ক'লা, বগা , ভাল, গৰম, ঠাণ্ডা আদি।

বাক্যত প্ৰয়োগ -

সি ভাল ল'ৰা।

আজি বহুত গৰম।

এইপাহ বগা ফুল।

বিশেষ্যৰ বিশেষণবোৰক আকৌ পাঁচটা ভাগত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল -

* গুণবাচক

* সংখ্যাবাচক

* পৰিমাণবাচক

* স্বাদবাচক

* ৰঙবাচক

*** গুণবাচক**

কথিত অসমীয়া ভাষাৰ গুণবাচক বিশেষণবোৰ সাধাৰণতে মানুহ আৰু অন্যান্য প্ৰাণী আৰু অপ্ৰাণীবাচক বস্তুৰ গুণ বুজাবৰ বাবে ব্যৱহাৰ কৰা হয়। এই বিশেষণবোৰ বিশেষ্যৰ লগত যোগ হৈ বিশেষ্যটোক বিশেষভাৱে বুজায়। যেনে -

'ভাল '

ভাল ল'ৰা।

'ধুনীয়া '

ধুনীয়া ছোৱালী।

*** পৰিমাণবাচক বিশেষণ**

পৰিমাণবাচক বিশেষণবোৰে মানুহ আৰু অন্যান্য প্ৰাণীবাচক আৰু অপ্ৰাণীবাচক বস্তুৰ পৰিমাণক বুজায়। এই বিশেষণবোৰে অনিৰ্দিষ্টকৈ পৰিমাণ নিৰ্দেশ কৰে।অসমীয়া ভাষাত এনেধৰণৰ পৰিমাণবাচক বিশেষণ কিছুমান বিশেষণ কিছুমান পোৱা যায়। উদাৰণস্বৰূপে -

'অলপ '

অলপ টকা

'বহুত '

বহুত কিতাপ

'কিছুমান '

কিছুমান চৰাই

'সকলো '

সকলো ছাত্ৰ

*** সংখ্যাবাচক বিশেষণ**

সংখ্যাবাচক বিশেষ্য শব্দবোৰ বিশেষ্যৰ সংখ্যা বুজাবলৈ বিশেষণ হিচাপেও ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। অসমীয়া এনে সংখ্যাবাচক বিশেষণ যথেষ্ট পৰিমাণে ব্যৱহাৰ হোৱা দেখা যায়। উদাহৰস্বৰূপে -

'একমাহ '

' তিনিদিন '

' দুসপ্তাহ '

' পাঁচটা হাতী '

' দহটা আম '

*** স্বাদবাচক বিশেষণ**

অসমীয়া ভাষাত স্বাদবাচক বিশেষণ বহুতো পোৱা যায়। উদাৰণস্বৰূপে -

'মিঠা '

মিঠা আম

'টেঙা '

টেঙা বগৰী

'তিতা '

তিতা ফল

*** ৰংবাচক বিশেষণ**

প্ৰত্যেক ভাষাৰ দৰে অসমীয়া ভাষাৰো ৰং বুজোৱা বিশেষ্য শব্দ কিছুমান আছে। এই ৰং বুজোৱা বিশেষ্যৰ লগত বিশেষণ হিচাপেও প্ৰয়োগ হোৱা দেখিবলৈ পোৱা যায়। উদাৰণস্বৰূপে -

'বগা '

বগা কুকুৰা ।

'ৰঙা '

ৰঙা কাপোৰ ।

'হালধীয়া '

হালধীয়া পখিলা।

## ৪.১.২ বিশেষণৰ বিশেষণ

বিশেষণীয় বিশেষণবোৰ দোষ, গুণ, অৱস্থা , পৰিমাণ আদিক নিৰ্দেশ কৰে। উদাৰণস্বৰূপে -

বৰ ভাল ,বৰ ঠাণ্ডা ,কিচকিচীয়া ক'লা।

বাক্যত প্ৰয়োগ -

আমাৰ গাঁওবুঢ়া বৰ ভাল মানুহ।

আজি বতৰটো বৰ ঠাণ্ডা হৈছে।

এই সাপডাল কিচকিচীয়া ক'লা।

**৪.১.৩ ক্রিয়া বিশেষণ**

কোনো কামৰ অৱস্থা পৰিমাণ, দোষ, গুণ আদিক বিশেষভাৱে বুজাবলৈ ক্রিয়া বিশেষণ ব্যৱহাৰ কৰা হয়। উদাৰণস্বৰূপে -

লাহে লাহে ,সোনকালে ,দেৰিকৈ ,ভালকৈ

বাক্যত প্ৰয়োগ -

লাহে লাহেকৈ খোজ কাঢ়িব।

সোনকালে আহিবা।

স্কুললৈ ইমান দেৰিকৈ আহিছা।

*** সংখ্যাবাচক ক্রিয়া বিশেষণ**

অসমীয়া ভাষাত ক্রিয়া বিশেষণৰ সংখ্যাবাচক ৰূপ কিছুমান পোৱা যায়। সাধাৰণতে দিনবাৰ মাহ, বছৰ আদি বুজোৱা শব্দৰ পিছত অন্য বদ্ধৰূপ যোগ কৰি এই সংখ্যাবাচক ক্রিয়া বিশেষণৰ ৰূপবোৰ গঠন কৰা হয়। টকা পইচা বুজোৱা শব্দৰ পিছত বদ্ধৰূপ যোগ দি সংখ্যাবাচক ক্রিয়া বিশেষণ শব্দবোৰ গঠন কৰা হয়। উদাৰণস্বৰূপে-

এবাৰকৈ ,দুবাৰকৈ ,এমহীয়াকৈ ,এটকীয়া

বাক্যত প্ৰয়োগ -

দৰৱটো দিনে এবাৰকৈ খাব।

দুবাৰতকৈ বেছি নাখাব।

এমহীয়াকৈ নীতি নিয়মবোৰ পালন কৰিব লাগিব।

## ৪.২ কথিত মিচিং ভাষাৰ বিশেষণ

নাম পদৰ দোষ, গুণ, অৱস্থা, পৰিমাণ বুজোৱা পদসমূহক বিশেষণ বুলি কোৱা হয়।ই ভাষাৰ সম্পদ স্বৰূপ, আৰু দৈনন্দিন কথোপকথনত মিচিং লোকসকল ইবোৰ বহুলভাৱে ব্যৱহাৰ কৰে। যিকোনো বিশেষ্য বুজাবলৈ সঠিক বিশেষণ বাচনি কৰা মিচিং ভাষাৰ প্ৰাঞ্জলতা আৰু সৌন্দৰ্য্য বৃদ্ধিত সহায় কৰে।

কথিত মিচিং ভাষাৰ বিশেষণ শব্দবোৰ তিনিয় ভাগত ভগাব পাৰি। সেইকেইটা হ'ল -

* বিশেষ্যৰ বিশেষণ

* বিশেষণৰ বিশেষণ

* ক্ৰিয়া বিশেষণ

## ৪.২.১ বিশেষ্যৰ বিশেষণ

বিশেষ্যৰ বিশেষণবোৰ হ'ল বিশেষ্যৰ দোষ, গুণ অথবা পৰিমাণ আদি বুজোৱা বিশেষণ শব্দবোৰক বিশেষ্যৰ বিশেষণ বুলি কোৱা হয় । উদাহৰস্বৰূপে -

কথিত মিচিং ভাষাত বিশেষণ শব্দ গঠন কৰিবলৈ ধাতুৰ লগত {- নৌং} যোগ কৰা হয়।

| কথিত মিচিং | অসমীয়া |
|---|---|
| আইনৌ | ভাল |
| আনদৌঃনৌ | চুটি |
| আয়াঃনৌ | মৰমিয়াল |
| আৰাইনৌ | দীঘল |
| চাননৌ | শুকান |
| ঙেমননৌ | অঁকৰা |

বাক্যত প্ৰয়োগ -

'আইনৌ'(ভাল)

ৰামবৌ আইনৌ তানি (ৰাম ভাল মানুহ)।

'আনদৌঃনৌ '( চুটি)

আনদৌঃনৌ গালুগ গৌয়ৌ ( চুটি কাপোৰ নিপিন্ধিবা)

'আৰাইনৌ'(দীঘল)

আৰাইনৌ দৃমৌদ ( দীঘল চুলি)।

'ঙেমননৌ '(অঁকৰা)

ঙেমননৌ তানি ( অঁকৰা মানুহ)

বিশেষ্যৰ বিশেষণবোৰক আকৌ পাঁচটা ভাগত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল -

* গুণবাচক

* সংখ্যাবাচক

* পৰিমাণবাচক

* স্বাদবাচক

* ৰঙবাচক

*** গুণবাচক বিশেষণ**

কথিত মিচিং ভাষাৰ গুণবাচক বিশেষণবোৰ সাধাৰণতে মানুহ আৰু অন্যান্য প্ৰাণী আৰু অপ্ৰাণীবাচক বস্তুৰ গুণ বুজাবৰ বাবে ব্যৱহাৰ কৰা হয়। এই বিশেষণবোৰ বিশেষ্যৰ লগত যোগ হৈ বিশেষ্যটোক বিশেষভাৱে বুজায়। যেনে -

আয়নৌ ' ভাল '

আয়নৌ কনেং ' ভাল ছোৱালী '

'কাংকান '

কাংকানৌ কনেং ' ধুনীয়া ছোৱালী' ।

* পৰিমাণবাচক বিশেষণ

কথিত মিচিং ভাষাৰ পৰিমাণবাচক বিশেষণবোৰে মানুহ আৰু অন্যান্য প্ৰাণীবাচক আৰু অপ্ৰাণীবাচক বস্তুৰ পৰিমাণক নিৰ্দেশ কৰে। কথিত মিচিং ভাষাত এনেধৰণৰ পৰিমাণবাচক বিশেষণ কিছুমান পোৱা যায়। উদাহৰস্বৰূপে -

'আজৌকৌঃ ' অলপ '

আচিঃ আজৌকৌঃ বিঃ ( পানী অলপ দিয়া)

বৌজেঃকৌ ' বহুত '

বৌজেঃকৌঃ তানি ( বহুত মানুহ)

আপৌঙ

আপপিং ( সকলো)

আপপিং তানি ( সকলো মানুহ)

*** সংখ্যাবাচক বিশেষণ**

কথিত মিচিং ভাষাৰ সংখ্যাবাচক বিশেষ্য শব্দবোৰ বিশেষ্যৰ সংখ্যা বুজাবলৈ বিশেষণ হিচাপেও ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। কথিত মিচিং ভাষাৰ এনে সংখ্যাবাচক বিশেষণ যথেষ্ট পৰিমাণে হোৱা পোৱা যায়। উদাহৰস্বৰূপে -

আউম লৌঙে

তিনি দিন

আঙঙ চিতৌ

পাঁচটা হাতী

কেদি অৃয়িং

দহটা আম

*** স্বাদবাচক বিশেষণ**

কথিত মিচিং ভাষাত স্বাদবাচক বিশেষণ বহুতো পোৱা যায়। উদাৰণস্বৰূপে -

তিনৌঃ ' মিঠা '

তিনৌঃ কেদিঃ  ' মিঠা আম'

কোনৌঃ টেঙা

কোনৌঃ আয়ে ' টেঙা ফল'

*** ৰংবাচক বিশেষণ**

অসমীয়া ভাষাৰ দৰে কথিত মিচিং ভাষাৰো ৰং বুজোৱা বিশেষ্য শব্দ কিছুমান আছে। এই ৰং বুজোৱা বিশেষ্যৰ লগত বিশেষণ হিচাপেও প্ৰয়োগ হোৱা দেখিবলৈ পোৱা যায়। উদাহৰস্বৰূপে -

য়াকানৌ ' (ক'লা )

য়াকানৌ পৰগ  (ক'লা কুকুৰা)

লিঃনৌ ( ৰঙা )

লিঃনৌ আপ্পুন (ৰঙা আপ্পুন)

### ৪.২.২ বিশেষণৰ বিশেষণ

বিশেষণীয় বিশেষণবোৰে বিশেষণৰ দোষ, গুণ, অৱস্থা, পৰিমাণ আদিক নিৰ্দেশ কৰে। উদাৰণস্বৰূপে -

আয়পৌঃ আইনৌঃ ' বৰ ভাল '

আইপৌঃ আনচৌঃদাগ্ ' বৰ ঠাণ্ডা '

বাক্যত প্ৰয়োগ -

ঙলৌকৌ গাওঁবুঢ়াদৌঃ আইপৌঃ  আইনৌঃ তানি।

( আমাৰ গাওঁবুঢ়া বৰ ভাল মানুহ)

চিলৌ বতৰচৌঃ আইপৌঃ আনচৌঃদাগ্।

( আজি বতৰটো বৰ ঠাণ্ডা হৈছে)।

## ৪.২.৩ ক্ৰিয়া বিশেষণ

কোনো কামৰ অৱস্থা পৰিমাণ, দোষ, গুণ আদিক বিশেষভাৱে বুজাবলৈ ক্ৰিয়া বিশেষণবোৰ ব্যৱহাৰ কৰা হয়। উদাহৰস্বৰূপে -

আচৌ আচৌপৌ ( লাহে লাহেকৈ)

লৌমনা ( সোনকালে)

দৌঙমপৌ ( দেৰিকৈ)

বাক্যত প্ৰয়োগ -

আচৌ আচৌপৌঃ লামতৌম গৌলাং

( লাহে লাহেকৈ খোজ কাঢ়িবা)

লৌমনা গৌলাং

(সোনকালে আহিবা)

ছিলৌঃ দৌঙমপৌ কাপিলা গৌদাং

( আজি দেৰিকৈ কিয় আহিছা?)

*** সংখ্যাবাচক ক্ৰিয়া বিশেষণ**

কথিত মিচিং ভাষাত ক্ৰিয়া বিশেষণৰ সংখ্যাবাচক ৰূপ কিছুমান পোৱা যায়। সাধাৰণতে দিনবাৰ, মাহ, বছৰ আদি বুজোৱা শব্দৰ পিছত অন্য বদ্ধৰূপ যোগ কৰি এই সংখ্যাবাচক ক্ৰিয়া বিশেষণ ৰূপবোৰ গঠন কৰা হয়। টকা পইচা বুজোৱা শব্দৰ পিছত বদ্ধৰূপ যোগ দি সংখ্যাবাচক ক্ৰিয়া বিশেষণ শব্দবোৰ গঠন কৰা হয়। উদাৰণস্বৰূপে -

আককৌকঃ( এবাৰকৈ)

আনঞিকঃ ( দুবাৰকৈ)

বাক্যত প্ৰয়োগ -

কুচেৰৌঃচৌম লৌঙদৌঃ আককৌকঃ দৌলাং।

( দৰৰটো দিনে এবাৰকৈ খাব)।

আনঞিদৌমপৌয়াম বৌদজেকৌ দৌমাপৌ।

( দুবাৰতকৈ বেছি নাখাব )

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত অসমীয়া ভাষাৰ বিশেষণ গঠন প্ৰক্ৰিয়া অধ্যয়ণ কৰোঁতে দেখিবলৈ পোৱা গ'ল যে -----

* ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত মিচিং ভাষাৰ বিশেষণ আৰু মান্য অসমীয়া ভাষাৰ বিশেষণসম্পৰ্কে জানিব পৰা গ'ল ।এই অঞ্চলত মিচিংসকলে মান্য অসমীয়া আৰু কথিত মিচিং ভাষা ব্যৱহাৰ কৰে। কথিত মিচিং আৰু

মান্য অসমীয়া ভাষাৰ সংযোগত সৃষ্টি হোৱা কথিত ৰূপৰ প্ৰয়োগ দেখিবলৈ পোৱা গৈছে। তাৰ ফলত মিচিং - অসমীয়া ভাষাৰ সৃষ্টি হৈছে। শিক্ষিত মানুহে আনুষ্ঠানিক সময়ত কথিত মিচিং ভাষাই প্ৰয়োগ কৰেআৰু চাকৰিৰ সূত্ৰে মান্য অসমীয়া ভাষাৰ ব্যৱহাৰ কৰা দেখা যায়। ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ বিশেষণ শব্দবোৰ কথিত মিচিং আৰু মান্য অসমীয়া এই দুয়োটা ৰূপতে ব্যৱহাৰ দেখা পোৱা যায়।

## ৫.০ ডিব্রুগড়  জিলাৰ মিচিংসকলৰ কথিত মিচিং ভাষাৰ সৰ্বনামৰ গঠন আৰু প্ৰকাৰ

বাক্যত পূৰ্বত ব্যৱহাৰ হোৱা বা অজ্ঞাত কোনো বিশেষ্য সলনি ব্যৱহাৰ হোৱা পদবোৰকেই সৰ্বনাম বুলি কোৱা হয়। সৰ্বনামবোৰ নামপদৰেই এটা ভাগ । সৰ্ব অথবা সকলো নামৰ সলনি ব্যৱহাৰ হোৱা বাবে এই নামপদবোৰক সৰ্বনাম বুলি কোৱা হয়।

মিচিং ভাষাত ছয় প্ৰকাৰৰ সৰ্বনাম আছে। সেইবোৰক প্ৰধানতঃ দুটা ভাগত ভগাব পাৰি- ব্যক্তিবাচক সৰ্বনাম আৰু নিৰ্দেশক সৰ্বনাম।ব্যক্তিবাচক সৰ্বনামৰ ভিতৰত

আত্মবাচক, সংখ্যাবাচক, আৰু সমষ্টিবাচক সৰ্বনামবোৰ অন্তৰ্ভুক্ত কৰিব পাৰি।কিছুমান সুকীয়া পদ্ধতিৰে সৰ্ব নামবোৰ সাধন হয়। সৰ্বনামত নিৰ্দিষ্টবাচক, অনিৰ্দিষ্টবাচক আৰু বচনবাচক প্ৰত্যয়ৰ প্ৰয়োগ আছে। ব্যক্তিবাচক সৰ্বনামৰ লগত কাৰক, বিভক্তি যুক্ত হয় আৰু শব্দ সাধিত হয়।

## ৫.১ কথিত অসমীয়া ভাষাৰ সৰ্বনাম

সৰ্বনাম পদবোৰ নামপদৰে এটা ভাগ। ই বাক্যৰ পূৰ্বত ব্যবহাৰ হোৱা বা অজ্ঞাত কোনো বিশেষ্যৰ সলনি ব্যৱহাৰ হোৱা পদ। অৰ্থৰ ভিত্তিত ইয়াক সাতটা ভাগত ভগাব পাৰি। সেইকেইটা হ'ল-

ব্যক্তিবাচক সৰ্বনাম , নিৰ্দেশবোধক সৰ্বনাম, সম্বন্ধবাচক সৰ্বনাম, অনিৰ্দিষ্টবাচক সৰ্বনাম, প্ৰশ্নবাচক সৰ্বনাম , আত্মবাচক সৰ্বনাম আৰু কালবাচক সৰ্বনাম।

### ৫.১.১ ব্যক্তিবোধক সৰ্বনাম

বিশেষ্যৰ সলনি যি শব্দই কৰ্তাৰ পুৰুষক নিৰ্দেশ কৰে, সেয়াই ব্যক্তিবাচক বা পুৰুষবাচক সৰ্বনাম। অসমীয়া ভাষাৰ ব্যক্তিবাচক বা ব্যক্তিবোধক সৰ্বনামক পুৰুষ অনুসৰি তিনিটা ভাগত ভাগ কৰিব পাৰি -

* প্ৰথম পুৰুষ ( যিয়ে কয়)

* দ্বিতীয় পুৰুষ ( যাক কয়)

* তৃতীয় পুৰুষ ( যাৰ বিষয়ে কয়)

কথিত অসমীয়া ভাষাৰ ব্যক্তি বাচক সৰ্বনাম পুৰুষ আৰু বচন অনুসৰি এনেদৰে তালিকা কৰিব পাৰি –

তালিকা -১

| পুৰুষ | একবচন | বহুবচন |
|---|---|---|
| প্ৰথম পুৰুষ | মই | আমি |
| দ্বিতীয় পুৰুষ | তই/আপুনি | আপোনালোক |
| তৃতীয় পুৰুষ | সি/ তাই/ তেওঁ | সিহঁত/ তেওঁলোক |

প্ৰথম পুৰুষ:

মই, আমি

দ্বিতীয় পুৰুষ:

তই/ তুমি/ আপুনি

তহঁত/ তোমালোক/ আপোনালোক

তৃতীয় পুৰুষ:

সি/ তাই/ তেওঁ

সিহঁত/ তেওঁলোক

অসমীয়া ভাষাৰ ব্যক্তিবাচক সৰ্বনামৰ বাক্যত প্ৰয়োগ তলত দেখুওৱা হ'ল -

প্ৰথম পুৰুষ ( একবচন) 'মই '

মই এটা ল'ৰা।

মই বজাৰলৈ যাওঁ।

প্ৰথম পুৰুষ ( বহুবচন) ' আমি '

আমি ছাত্ৰ।

আমি বজাৰলৈ যাওঁ ।

দ্বিতীয় পুৰুষ ( একবচন)

তই কলৈ যাৱ

তুমি কি কৰিছা?

আপুনি ভাল শিক্ষক।

আপুনি বজাৰলৈ যায়।

দ্বিতীয় পুৰুষ ( বহুবচন)

তোমালোক কেতিয়া আহিবা?

তোমালোকৰ ঘৰ ক'ত আছে?

তোমালোকৰ ঘৰ ক'ত?

তৃতীয় পুৰুষ ( একবচন)

সি ঘৰত নাই।

তাই ভাল ছোৱালী।

তৃতীয় পুৰুষ ( বহুবচন)

তেওঁলোক মুৰং ঘৰত আছে।

সিহঁত আমাৰ গাঁৱৰ মানুহ।

* অসমীয়া ভাষাৰ ব্যক্তিবাচক সৰ্বনামবোৰ বুজাবলৈ বচন আৰু পুৰুষ অনুসৰি পৃথক পৃথক শব্দ ব্যৱহাৰ কৰা হয়।

* অসমীয়া ভাষাৰ ব্যক্তিবাচক সৰ্বনামবোৰক বচন অনুসৰি দুটা ভাগত ভাগ কৰিব পাৰি।

* পুৰুষ অনুসৰি অসমীয়া ভাষাৰ ব্যক্তিবাচক সৰ্বনামবোৰক তিনিটা ভাগত ভাগ কৰিব পাৰি।

* অসমীয়া ভাষাৰ ব্যক্তিবাচক সৰ্বনামৰ ক্ষেত্ৰত কোনো তিৰ্যক ৰূপৰ ব্যৱহাৰ দেখিবলৈ পোৱা নাযায়। উদাৰণস্বৰূপে -

মই টাৱাঙলৈ যাওঁ।

এইটো মোৰ গৰু।

এই দুয়োটা বাক্যত মই আৰু মোৰ বুজাবৰ বাবে একে পুৰুষবাচক ৰূপবোৰৰো তিৰ্যক ৰূপ দেখিবলৈ পোৱা নাযায়।

## ৫.১.২ সম্বন্ধবোধক সৰ্বনাম

সম্বন্ধবাচক সৰ্বনাম শব্দবোৰে বাক্যটোত নামপদৰ লগত এটা সম্বন্ধ বা সংগতি বুজোৱা সৰ্বনামবোৰেই সম্বন্ধবাচক সৰ্বনাম। অসমীয়া ভাষাৰ সম্বন্ধবাচক সৰ্বনামবোৰ হ'ল -

যি, যিটো, যাৰ, য'ত, কোন আৰু কি।

বাক্যত প্ৰয়োগ: -

যি - যি ল'ৰা ভাল পুৰস্কাৰ দিম।

যিটো - যিটো কাম কৰা ভালকৈ কৰিবা।

যাৰ - যাৰ যি কাম সেইটো কৰ।

য'ত - য'ত ত'ত ঘূৰি নুফুৰিবা।

* অসমীয়া ভাষাৰ সম্বন্ধবাচক সৰ্বনাম শব্দবোৰ বাক্যৰ আৰম্ভণিতে ব্যৱহাৰ হয়।

* অসমীয়া ভাষাৰ সম্বন্ধবাচক সৰ্বনাম শব্দবোৰ বুজাবলৈ পৃথক পৃথক শব্দ শব্দ ব্যৱহাৰ কৰা হয়।

## ৫.১.৩ প্ৰশ্নবোধক সৰ্বনাম

প্ৰশ্ন সুধিবলৈ ব্যৱহাৰ কৰা সৰ্বনামবোৰেই প্ৰশ্নবাচক বা প্ৰশ্নবোধক সৰ্বনামবোৰ হ'ল -

কি, কেনেকৈ, কোন, কোন -কোন, কাৰ, কোনটো।

বাক্যত প্ৰয়োগ -

কি - তোমাৰ নাম কি?

কেনেকৈ - কেনেকৈ পৰিলি?

কোন - কোন  - মোৰ লগত কোন - কোন যাবি?

কাৰ - সেইটো কাৰ ঘৰ?

কোনটো - চোলা কোনটো ভাল?

* অসমীয়া ভাষাৰ প্ৰশ্নবাচক সৰ্বনামবোৰৰ বেছিভাগৰে আৰম্ভণি ক বৰ্ণৰে আৰম্ভ হৈছে।

* প্ৰশ্নবাচক সৰ্বনামবোৰ সাধাৰণতে বাক্যৰ আৰম্ভণিতে ব্যৱহাৰ হয়।

* একেটা প্ৰশ্নবাচক সৰ্বনামে কেইবাটাও অৰ্থ প্ৰকাশ কৰিব পাৰে। যেনে -

কোন – কাৰ

## ৫.২ কথিত মিচিং ভাষাৰ সৰ্বনাম

বাক্যৰ পূৰ্বত ব্যবহাৰ হোৱা বা অজ্ঞাত কোনো বিশেষ্যৰ সলনি ব্যৱহাৰ হোৱা পদ।  সৰ্বনাম হৈছে বিশেষ্যৰ পৰিৱৰ্তে ব্যৱহৃত শব্দ। কথিত মিচিং ভাষাতো সৰ্বনামৰ স্বতন্ত্ৰ আৰু বৈচিত্ৰ্যময় ব্যৱহাৰ আছে।কিছুমান সুকীয়া পদ্ধতিৰে সৰ্বনামবোৰ সাধন হয়। সৰ্বনামত নিৰ্দিষ্টবাচক, অনিৰ্দিষ্টবাচক আৰু বচনবাচক প্ৰত্যয়ৰ প্ৰয়োগ আছে।

### ৫.২.১ ব্যক্তিবোধক সৰ্বনাম

কথিত মিচিং ভাষাত ব্যক্তিবাচক সৰ্বনামৰ কোনো লিংগভেদ নাই। তদুপৰি দ্বিতীয় পুৰুষত তুচ্ছাৰ্থ আৰু মান্যাৰ্থ সূচক সুকীয়া সুকীয়া সৰ্বনাম নাই। ব্যক্তিবাচক সৰ্বনামৰ তিনিটা পুৰুষ আৰু তিনিটা বচন ৰূপ আছে। কথিত মিচিং ভাষাত মুঠ নটা ব্যক্তিবাচক সৰ্বনাম আছে। সেইবোৰ এনেধৰণৰ –

তালিকা -২

| পুৰুষ | একবচন | দ্বিবচন | বহুবচন |
|---|---|---|---|
| ১ম পুৰুষ | ঙ'মই' | ঙঞি 'আমি দুয়ো' | ঙলু'আমি' |
| ২য় পুৰুষ | ন ' তুমি/ তই/ আপুনি | নঞি 'তুমি/ তই/আপুনি দুয়ো | নলু 'তোমালোক /তহঁত/ আপোনালোক |
| ৩য় পুৰুষ | বৃ ' তাই/তেওঁ/ সি / তেখেত এখেত | বৃঞি' তেওঁ/ তাই/ সি/ তেখেত/ এখেত দুয়ো | বুলু ' তেওঁলোক/সিহঁত / তেখেতসকল/এখেতসকল |

## ৫.২.২ সম্বন্ধবাচক সৰ্বনাম

সম্বন্ধবাচক সৰ্বনাম শব্দবোৰে বাক্যটোত নামপদৰ লগত এটা সম্বন্ধ স্থাপন কৰে। বাক্যত বহি আন নামপদৰ লগত সম্বন্ধ বা সংগতি বুজোৱা সৰ্বনামবোৰেই সম্বন্ধবাচক সৰ্বনাম। কথিত মিচিং ভাষাৰ সম্বন্ধবাচক সৰ্বনামবোৰ হ'ল -

অকদৌ' কোনটো/ কিটো/যিটো

অকদৌম' কোনটোক/ যিটোক/কিটোক

অদৃলৌ ' কেতিয়া/ যেতিয়া

অদৃলককৌ ' কেতিয়াৰপৰা/ যেতিয়াৰপৰা

অদৃলপৌ ' কেতিয়ালৈ/ যেতিয়ালৈ আদি।

## ৫.২.৩ প্ৰশ্নবাচক সৰ্বনাম

কথিত মিচিং ভাষাত অক্/অকক্/অক্ কন/,অদৃক/ অদৃককৌ/, অদৃকৌন / চঃকৌ/ চঃকৌন,চঃকৌমআদি প্ৰশ্নবাচক সৰ্বনাম হিচাপে প্ৰয়োগ আছে। চ - ৰে আৰম্ভ হোৱা প্ৰশ্নবাচক সৰ্বনামবোৰ মানুহ বা ব্যক্তিৰ ক্ষেত্ৰত প্ৰয়োগ হয়। সেইবোৰৰ সংযোগত ব্যক্তিবাচক সৰ্বনামবোৰে বচনৰ লগতে কাৰক বিভক্তিৰো কাম কৰে। আনহাতে, অক / অ - ৰে আৰম্ভ হোৱা প্ৰশ্নবাচক সৰ্বনামবোৰ প্ৰাণী - অপ্ৰাণীৰ ক্ষেত্ৰত ব্যৱহাৰ হয়।

বাক্যত প্ৰয়োগ হোৱা কথিত মিচিং ভাষাৰ প্ৰশ্নবাচক সৰ্বনামবোৰ হ'ল -

চঃকৌ - চঃকৌ ঙঞিঃ?

কোন আমি দুয়ো?

চঃকৌ নঃলৌ ?

কোন তোমালোক?

অকলঃ - নৌঃক অকোম অকৌলঃ?

তোমাৰ ঘৰ ক'ত?

অদৃল - নৌঃ অকোম অদৃল গিতৌকুন?

তুমি ঘৰ কেতিয়া আহিলা?

চৌঃকম - নৌঃক আগম চৌঃকম লুয়েন?

তোমাৰ কথা কাক কম?

অকক্ ন - নঃকৌ আমিন অকক্ ন ?

তোমাৰ নাম কি?

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত অসমীয়া ভাষাৰ সৰ্বনামৰ গঠন প্ৰক্ৰিয়া অধ্যয়ণ কৰোঁতে দেখিবলৈ পোৱা গ'ল যে -----

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত মিচিং ভাষাৰ সৰ্বনাম আৰু মান্য অসমীয়া ভাষাৰ সৰ্বনাম সম্পৰ্কে জানিব পৰা গ'ল ।এই অঞ্চলত মিচিংসকলে মান্য অসমীয়া আৰু কথিত মিচিং ভাষা ব্যৱহাৰ কৰে। কথিত মিচিং আৰু মান্য অসমীয়া ভাষাৰ সংযোগত সৃষ্টি হোৱা কথিত ৰূপৰ প্ৰয়োগ দেখিবলৈ পোৱা গৈছে। তাৰ ফলত মিচিং - অসমীয়া ভাষাৰ সৃষ্টি হৈছে। শিক্ষিত মানুহে আনুষ্ঠানিক সময়ত কথিত মিচিং ভাষাই প্ৰয়োগ কৰে আৰু চাকৰিৰ সূত্ৰে মান্য অসমীয়া ভাষাৰ ব্যবহাৰ কৰা দেখা যায়। ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ সৰ্বনাম শব্দবোৰ কথিত মিচিং আৰু মান্য অসমীয়া এই দুয়োটা ৰূপতে ব্যৱহাৰ দেখা পোৱা যায়।

## উপসংহাৰ

অসমৰ দ্বিতীয় বৃহৎ জনজাতিটো হ'ল মিচিং সকল । এই মিচিং জনগোষ্ঠীৰ লোকসকলে অসমৰ বিভিন্ন ঠাইত বসবাস কৰে। মিচিং জনগোষ্ঠীৰ লোকসকলৰ মিচিং ভাষাক মাতৃভাষা হিচাপে গ্ৰহণ কৰি অসমীয়া ভাষাক সংযোগী ভাষা অৰ্থাৎ পিজিনৰূপে গ্ৰহণ কৰিছে। অসমৰ বিভিন্ন জিলাসমূহৰ ভিতৰত মিচিং জনগোষ্ঠীয়ে বাস কৰা এটা অন্যতম ঠাই হ'ল ডিব্ৰুগড় জিলা। ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰসমূহৰ বিষয়ে ক্ষুদ্ৰ গৱেষণা গ্ৰন্থটোত আলোচনা কৰা হৈছে। কথিত মিচিং ভাষাৰ শব্দসমূহ তেঁওলোকে দৈনন্দিন জীৱনত প্ৰয়োগ কৰি আহিছে। আন আন অ - জনজাতীয় লোকৰ লগত ভাৱৰ আদান প্ৰদান কৰিবৰ বাবে মিচিংসকলৰ মান্য অসমীয়া ভাষাত প্ৰয়োজন সাপেক্ষে মিচিং ভাষাৰ শব্দ আৰু অসমীয়া শব্দ ব্যৱহাৰ কৰা দেখা গৈছে। অতীজৰেপৰা অসমৰ বিভিন্ন অঞ্চলত বসবাস কৰা মিচিং জনগোষ্ঠীৰ লোকসকলে বিভিন্ন কাৰণত অসমীয়া ভাষাক মাতৃভাষা মাতৃভাষা হিচাপে ব্যৱহাৰ কৰাৰ ফলস্বৰূপে মিচিং ভাষাত বহুতো অসমীয়া শব্দ সোমাই পৰিছে।

অসমৰ অন্যান্য ঠাইৰ কথিত ভাষাৰ দৰে আমাৰ আলোচিত ডিব্ৰগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰৰ অধ্যয়ণেও কথিত মিচিং ভাষাত অনাৱিস্কৃত হৈ থকা আন এটা দিশ উন্মোচিত কৰিবলৈ সক্ষম হ'ব। আমাৰ ক্ষুদ্ৰ গৱেষণাৰ অধ্যয়ণৰ বাবে মুখ্য পদ্ধতি হিচাপে বাচি লোৱা ক্ষেত্ৰ অধ্যয়ণৰপৰা পোৱা সমলৰ বিশ্লেষণ আৰু উদাহৰণৰদ্বাৰা বিষয়বস্তু গভীৰলৈ সোমোৱাৰ প্ৰয়াস কৰা হৈছে।

- ' ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ গঠন আৰু প্ৰকাৰ ' শীৰ্ষক আমাৰ এই ক্ষুদ্ৰ গৱেষণা কৰ্মটোৰ সমাপ্তিত কিছুমান সিদ্ধান্ত উপনীত হ'ব পাৰি। সেইবোৰ হ'ল এনেধৰণৰ –
- আলোচিত বিষয়টোৰ ডিব্ৰগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে অঞ্চলৰ যাওঁতে অঞ্চলৰ ভাষাৰ পৰিচয়, ভাষিক স্থিতি, জনসংখ্যা , বাসস্থান আদিৰ সম্পৰ্কে জানিব পৰা গৈছে।
- ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত অসমীয়া আৰু কথিত মিচিং ভাষা ব্যৱহাৰ কৰে। এই দুটা ভাষাৰ সংযোগত মিচিং অসমীয়া ভাষাৰ সৃষ্টি হোৱা দেখা গৈছে। অৰ্থাৎ ডিব্ৰুগড় জিলাৰ মিচিংসকলে কথিত ভাষাৰ বিশেষ্য শব্দবোৰ কথিত মিচিং আৰু মান্য অসমীয়া দুয়োটা ৰূপতে ব্যৱহাৰ দেখা পোৱা গৈছে।
- আলোচিত বিষয়টোৰপৰা এই স্পষ্ট হ'ল যে ডিব্ৰুগড় জিলাৰ মিচিংসকলে কথিত ভাষাৰ বিশেষণ শব্দবোৰে কথিত মিচিং আৰু মান্য অসমীয়া দুয়োটা ৰূপতে ব্যৱহাৰ দেখা পোৱা গৈছে।

- আলোচিত বিষয়টোৰপৰা এই কথা স্পষ্ট হ'ল যে ডিব্ৰুগড় জিলাৰ মিচিংসকলে কথিত ভাষাৰ সৰ্বনাম শব্দবোৰ কথিত মিচিং আৰু মান্য অসমীয়া দুয়োটা ৰূপতে ব্যৱহাৰ দেখা পোৱা গৈছে।

ডিব্ৰুগড় জিলাৰ মিচিংসকলৰ কথিত ভাষাৰ নামপদৰ গঠন আৰু প্ৰকাৰ সম্পৰ্কে এই আলোচনা দৃষ্টান্ত মূলক আৰু দিশ নিৰ্দেশমূলক। ই মিচিং ভাষাৰ সংৰক্ষণ আৰু বিকাশৰ দিশে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

## সহায়ক গ্ৰন্থপঞ্জী

**অসমীয়া:**


কটকী, সোনাৰাম পাঞাং '*মিৰি জাতিৰ বুৰঞ্জী*' প্ৰকাশ -২০০১, ধেমাজি।

কাগয়ুং, ভৃগুমণি ' *মিচিং সংস্কৃতিৰ আলেখ্য* প্ৰথম প্ৰকাশ ১৯৮৯চন লয়াৰ্ছ বুকষ্টল, গুৱাহাটী।

কোঁৱৰ, অৰ্পণা *' অসমৰ ভাষাৰ বিশ্লেষণাত্মক অধ্যয়ণ'* প্ৰকাশক: শ্ৰী প্ৰদ্যুৎ হাজৰিকা , এম. বি. এ. বনলতা, নতুন বজাৰ, ডিব্ৰুগড় - ১, প্ৰথম প্ৰকাশ: নৱেম্বৰ, ২০২০, দ্বিতীয় প্ৰকাশ : মে' ২০২৪

দলে, বসন্ত কুমাৰ ' *মিচিং ভাষাৰ ৰূপতত্ত্বৰ এটি চমু পৰিচয়* - ২০০১-২০০৩ প্ৰকাশিত, ধেমাজি।

পাদুন, নাহেন্দ্ৰ *' মিচিং অসমীয়া পাঠ'* অসম সাহিত্য সভা' ১৯৮৯ চনত প্ৰকাশিত।

পাদুন, নাহেন্দ্ৰ ' *ভাষাৰ তত্ত্বকথা'* প্ৰকাশক: উজ্জ্বল হাজৰিকা , ৰংপুৰ সাহিত্য সভা, প্ৰথম প্ৰকাশ : বাণীমন্দিৰ সংস্কৰণ: ২০০৪ চন, দ্বিতীয় বাণী মন্দিৰ সংস্কৰণ : ২০১৪।

বৰুৱা, ভীমকান্ত ' *অসমৰ ভাষা'* প্ৰকাশক - প্ৰদ্যুৎ হাজৰিকা, এম. বি. এ . বনলতা, ডিব্ৰুগড়। প্ৰথম সংস্কৰণ: ১৯৯০ চন ,দ্বিতীয় সংস্কৰণ: ১৯৯৩ চন ,তৃতীয় পৰিবৰ্ধিত সংস্কৰণ : ১৯৯৬ চন ,চতুৰ্থ পৰিবৰ্ধিত সংস্কৰণ : ২০০৩ চন ,পঞ্চম পৰিবৰ্ধিত সংস্কৰণ: জানুৱাৰী ২০১০ চন ,পুনৰ মুদ্ৰণ: আগষ্ট,২০১৩,ষষ্ঠ পৰিবৰ্ধিত সংস্কৰণ : মাৰ্চ,২০১৫

মেধি, কালিৰাম *'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব* প্ৰকাশক - লয়াৰ্ছ বুকষ্টল, হেমবৰুৱা পথ, পানবজাৰ, গুৱাহাটী - ৭৮১০০১ , অসম ,প্ৰথম প্ৰকাশ -১৯৩৬, দ্বিতীয় প্ৰকাশ - ১৯৭৮ অক্টোবৰ, তৃতীয় প্ৰকাশ - ১৯৯৯ , দ্বিতীয় সংস্কৰণ - ২০১৭

হাকাচাম, উপেন ৰাভা ,প্ৰণীতা দেৱী ' *ভাষাবৈজ্ঞানিক অধ্যয়ণত ' তুলনা প্ৰসংগ'* প্ৰকাশক: শ্ৰীনগেন শৰ্মা, জ্যোতি প্ৰকাশন, যশোৱন্ত পথ, পানবজাৰ, গুৱাহাটী ৭৮১০০১

হাকাচাম, উপেন ৰাভা ' *অসমীয়া আৰু অসমৰ তিব্বতবৰ্মীয় ভাষা,* প্ৰকাশ: ২০০১ ।

হাকাচাম , উপেন ৰাভা *' অসমীয়া আৰু অসমৰ ভাষা '* প্ৰকাশক: ইলা শৰ্মা, জ্যোতি প্ৰকাশন, যশোৰন্ত পথ, পানবজাৰ , গুৱাহাটী - ৭৮১০০১ , প্ৰথম প্ৰকাশ: জুলাই, ২০০৯ , দ্বিতীয় ( পৰিবৰ্ধিত) সংস্কৰণ : জানুৱাৰী, ২০১৪ , তৃতীয় সংস্কৰণ : ফেব্ৰুৱাৰী, ২০১৭, চতুৰ্থ ( সংশোধিত) সংস্কৰণ: নৱেম্বৰ, ২০২০

**ইংৰাজী:**

Kakati, Banikanta ' *Assamese it's Formation and Development*, 1941 published.

Goswami, GulukChandra ' *Structure of Assamese* ' 1st published - 1942

Grierson, George Abraham *' Linguistic Survey of India* - 1967 published.

Wikipedia

https://shodhganga.inflibnet.ac.in/

পৰিশিষ্ট -১

তথ্যদাতাৰ তালিকা

| ক্ৰমিক নং | নাম | বয়স | ঠিকনা |
| --- | --- | --- | --- |
| ১ | প্ৰতিমা পাৰ দাং | ৫২ | দধিয়া চাৰিসূতি |
| ২ | শক্তি দাং | ২৯ | দধিয়া চাৰিসূতি |
| ৩ | জন্মসিং দাং | ২৯ | দধিয়া চাৰিসূতি |
| ৪ | মাখন দাং | ৪২ | দধিয়া চাৰিসূতি |
| ৫ | গীত দাং | ৬৯ | দধিয়া চাৰিসূতি |
| ৬ | যোগেশ্বৰী দাং | ৬৬ | দধিয়া চাৰিসূতি |
| ৭ | জানোৱালা টায়েং | ৩৫ | দধিয়া চাৰিসূতি |
| ৮ | বিনা দাং নৰহ | ২৬ | দধিয়া চাৰিসূতি |
| ৯ | হিমাঞ্জলি টায়েং | ২৪ | দধিয়া চাৰিসূতি |
| ১০ | নিজম দাং | ৫৫ | দধিয়া চাৰিসূতি |
| ১১ | পাৰশ নৰহ | ৩৪ | দধিয়া চাৰিসূতি |

# ক্ষেত্ৰ অধ্যয়নৰ আলোকচিত্ৰ












ডিব্ৰগড় জিলাৰ মানচিত্ৰ

